# অন্বেষণ

দ্বিতীয় বছৰ ■ প্ৰথম সংখ্যা ■ ফেব্ৰুৱাৰি, ২০১৫



## মহাকাশৰ আবৰ্জনা

## কম অক্সিজেনৰ বিপদ

## মৰিময় আষ্টিন অথবা হীৰা বৰুৱা



## নিটি আয়োগ

# পুনৰ্গঠিত অসম মন্ত্ৰীসভাৰ মন্ত্ৰীসকল


তৰুণ গগৈ: মুখ্যমন্ত্ৰী


ভুমিধৰ বৰ্মন


শৰৎ বৰকটকী


নজৰুল ইছলাম


চন্দন কুমাৰ সৰকাৰ


চুকুৰ আলি


অজিত সিং


সুমিত্ৰা দলে পাটিৰ


বসন্ত দাস


খৰছিং ইংতি


অজন্তা নেওগ


গিৰীন্দ্ৰ মল্লিক


ৰকিবুল হুছেইন


এটোৱা মুণ্ডা


বিস্মিতা গগৈ

# অন্বেষণ

## দ্বিতীয় বছৰ, প্ৰথম সংখ্যা, ফেব্ৰুৱাৰি, ২০১৫ চন

## সূচীপত্ৰ


২ **'অন্বেষণ'ৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে**

৩ **নিটি আয়োগ**
■ ৰঞ্জিত নাৰায়ণ ডেকা

৫ **কম অক্সিজেনৰ বিপদ**
■ অভিজিত শৰ্মা বৰুৱা

৭ **দেশ বিদেশৰ খবৰ**
■ সংগ্ৰহ : কুশল গোস্বামী

১৩ **খবৰৰ লেছেৰি বোটলা**
■ সংগ্ৰহ : পংকজ কুমাৰ বৰা

১৪ **মৌ-মাখি**
■ ছেহনাজ আখতাৰ আহমদ

১৬ **মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা**
■ লিপিমণি দত্ত

১৭ **অণুবীক্ষণ**
■ উদয়া ফুকন

১৮ **কুইজ**
■ অপ্সৰা বৰুৱা

১৯ **অসহযোগ আন্দোলন আৰু চৌৰী চৌৰা ঘটনা**
■ হিমাদ্ৰী বৰা

২০ **চুডকু**

২১ **মাৰ্টিন লুথাৰ কিং**
■ ডিম্পী সন্দিকৈ

২২ **কেইখনমান গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় অস্ত্ৰ নিয়ন্ত্ৰণ চুক্তি**
■ ৰুণিমা শৰ্মা

২৩ **ছুয়েজ খাল, পানামা খাল**
■ মিতালী ঠাকুৰীয়া

২৪ **বাণ থিয়েটাৰ**
■ সুদীপ্তা চৌধুৰী

২৫ **ভাৰতৰ দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা**
■ অপৰ্ণা দেৱী

২৬ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

২৮ **মহেশ্বৰ নেওগ**
■ প্ৰাঞ্জল তালুকদাৰ

২৯ **ক্ৰীড়াংগন**

৩০ **টেম্‌ছ**
■ পল্লৱী গোস্বামী

৩২ **মহাকাশৰ আৱৰ্জনা**
■ তপন কুমাৰ শৰ্মা



**সহযোগী সম্পাদক** : পংকজ দত্ত

**উপ-সম্পাদক** : কুশল গোস্বামী, প্ৰাঞ্জল তালুকদাৰ, লিপিমণি দত্ত

**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী

**মূল্য : বিছ টকা**

**অংগসজ্জা আৰু বেটুপাত** : কুঞ্জৰ দাস

**আলোকচিত্ৰ** : ৰূপজ্যোতি চেতিয়া

**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ

অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰদ্বাৰা প্ৰকাশিত আৰু অবৈতনিক সচিব ডা° নাৰায়ণ শৰ্মাৰদ্বাৰা সম্পাদিত; অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰদ্বাৰা মুদ্ৰিত।

**সম্পাদকৰ টোকা**

# 'অন্বেষণ'ৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে

২০১৪ চনৰ জানুৱাৰি মাহত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে অনুষ্ঠিত হোৱা প্ৰথমখন সভাত এটা বিষয় বৰ গুৰুত্ব সহকাৰে আলোচনা কৰা হৈছিল। সেয়া হ'ল আমাৰ বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সাধাৰণ জ্ঞানৰ মান উন্নত কৰা। আজিকালি বাতৰি কাকতেই হওক বা টেলিভিছনেই হওক সকলোতে শিক্ষাৰ্থীসকলৰ বাবে প্ৰয়োজনীয় খবৰ বা তথ্যবোৰ ভিৰৰ মাজত লুকাই থাকে। বহুতৰ মাজৰপৰা সেইবোৰ বিচাৰি উলিওৱাটো কষ্টসাধ্য আৰু সময়ৰো অপচয় হয়। লগতে কিছুমান এনে খবৰক বাতৰি কাকত বা টেলিভিছন চেনেলবোৰে গুৰুত্ব দিয়া দেখা যায়, যিবোৰ শিক্ষাৰ্থীসকলৰ বাবে মুঠেও উপযোগী নহয়। এনে পৰিপ্ৰেক্ষিতত শিক্ষাৰ্থীসকলক প্ৰয়োজনীয় সাম্প্ৰতিক খবৰ আৰু প্ৰয়োজনীয় সাধাৰণ জ্ঞানৰ কিদৰে যোগান ধৰা হ'ব, তাৰ চিন্তাৰেই ফলশ্ৰুতি 'অন্বেষণ'। এই মাহত অন্বেষণে এবছৰ অতিক্ৰম কৰি দ্বিতীয় বৰ্ষত ভৰি দিলে। এই ক্ষেত্ৰত শিক্ষাৰ্থী আৰু অভিভাৱক, লেখক আৰু শুভাকাংক্ষীসকলে দেখুওৱা আন্তৰিকতা আৰু আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে আমি তেওঁলোকৰ ওচৰত কৃতজ্ঞ।

কেৱল বিদ্যায়তনিক দিশত গুৰুত্ব প্ৰদান কৰা আমাৰ এই আলোচনীখনত শিক্ষাৰ্থীসকলৰ প্ৰয়োজন পূৰাবৰ বাবে বিবিধ শিতান সামৰি লোৱা হৈছে। শিতানসমূহৰ জৰিয়তে এগৰাকী শিক্ষাৰ্থীৰ বাবে প্ৰয়োজনীয় প্ৰধান কথাবোৰ সামৰি লোৱাৰ চেষ্টা কৰা হৈছে। আলোচনীখনত আৰু যথেষ্ট বিষয় অন্তৰ্ভুক্ত কৰাৰ অৱকাশ আছে। আনহাতে ৩২ পৃষ্ঠাৰ আমাৰ এই আলোচনীখনত ঠাইৰ অভাৱকে আদি কৰি আন সীমাবদ্ধতাও আছে।

'অন্বেষণ'ত ঘাইকৈ শিক্ষক-শিক্ষয়িত্ৰীসকলেই লেখা আগবঢ়ায়। এই ক্ষেত্ৰত পঢ়ুৱৈসকলক জনাবলৈ পাই সুখী হৈছো যে আমাৰ বিদ্যালয়ৰ প্ৰায়ভাগ শিক্ষক-শিক্ষয়িত্ৰীয়েই এই ক্ষেত্ৰত যথেষ্ট অভিজ্ঞতাসম্পন্ন। তদুপৰি অভিজিত শৰ্মা বৰুৱা, সত্যজিত ভূঞা, ড° দীনেশ চন্দ্ৰ গোস্বামী, বিনয় মোহন শইকীয়া, তপন কুমাৰ শৰ্মা আদিৰ দৰে বিশিষ্ট লেখকসকলৰো লেখা নিয়মিতভাৱে 'অন্বেষণ'ত প্ৰকাশ কৰা হয়।

সাধাৰণ জ্ঞানৰ উপৰি শিক্ষাৰ্থীসকলৰ মানসিক সামৰ্থ্য বিকাশৰ বাবে একে নামেৰে এটি শিতান নিয়মিতভাৱে প্ৰকাশ কৰি থকা হৈছে। আশাকৰোঁ এই শিতানটিত আলোচনা কৰা সমস্যাবিলাকৰ অভ্যাসে শিক্ষাৰ্থীসকলক ভৱিষ্যতে লাভান্বিত কৰিব।

আলোচনীখনৰ বেটুপাতৰ পৃষ্ঠাকেইটা বিশেষধৰণে ব্যৱহাৰ কৰা হৈছে। প্ৰত্যেকটো সংখ্যাতেই বেটুপাতকেইটা তথ্য সম্বলিত কৰাৰ চেষ্টা কৰা হৈছে। নক'লেও স্পষ্ট যে বিভিন্ন দিশৰ লগত জড়িত বস্তু, চিহ্ন বা ব্যক্তিসকলক ইয়াৰ জৰিয়তে চিনাকি কৰাই দিয়াৰ চেষ্টা কৰা হৈছে।

এই ক্ষেত্ৰত এটা কথা অনস্বীকাৰ্য যে আমাৰ বিদ্যালয়ৰ বহু শিক্ষাৰ্থীৰ অভিভাৱক যথেষ্ট অভিজ্ঞ আৰু সুলেখক বা লেখাৰ বাবে সমৰ্থবান। এই ছেগতে তেখেতসকলক অন্বেষণৰ উদ্দেশ্যৰ লগত খাপ খোৱাকৈ লেখা দি 'অন্বেষণ'ৰ লগত প্ৰত্যক্ষভাৱে জড়িত হ'বলৈ অনুৰোধ জনালোঁ। ইয়াৰোপৰি আপোনালোকৰ গঠনমূলক সমালোচনা, নতুন ধাৰণা, উপদেশ আদিয়ে অন্বেষণক আৰু আগুৱাই লৈ যাব বুলি আশা কৰিলোঁ।

সৰ্বশেষত অন্বেষণৰ লেখক, পঢ়ুৱৈ বা শুভাকাংক্ষী হিচাপে জড়িত সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ◎

# নিটি আয়োগ

**■ ৰঞ্জিত নাৰায়ণ ডেকা**

ভাৰতবৰ্ষ স্বাধীন হৈছিল ১৯৪৭ চনৰ ১৫ আগষ্টত। স্বাধীনতা পোৱাৰ সময়ত ভাৰতৰ বৰ দুৰৱস্থা আছিল। সাধাৰণ ভাৰতীয় এজন একেবাৰে নিচলা আছিল। এজন ভাৰতীয়ৰ গড় আয় আছিল বছৰি মাত্ৰ ২৪৭ টকা। দেশৰ অৰ্থাৱস্থা একেবাৰে কেলেপ কেলেপ। ইয়াৰপৰা উদ্ধাৰ পাবলৈ স্বাধীনতা পোৱাৰ ২ বছৰ ৭ মাহ পাছত অৰ্থাৎ ১৯৫০ চনৰ মাৰ্চ মাহত ভাৰত চৰকাৰে পৰিকল্পনা আয়োগ (Planning Commission) গঠন কৰিছিল। পৰিকল্পনা আয়োগৰ মূল লক্ষ্য আছিল :

(১) দেশৰ সম্পদৰ সদ্ব্যৱহাৰ

(২) উৎপাদন বৃদ্ধি ঃ কৃষি আৰু উদ্যোগ দুয়ো খণ্ডতে

(৩) কৰ্মসংস্থানৰ সুযোগ বৃদ্ধি

(৪) শিক্ষাৰ প্ৰসাৰ আৰু

(৫) জীৱন ধাৰণৰ মান উন্নতকৰণ

আয়োগৰ ৬৫ বছৰীয়া কাৰ্যকালত ই ২০০ লাখ কোটি টকাতকৈও অধিক ব্যয় কৰি ১২ খন পাঁচ বছৰীয়া পৰিকল্পনা আৰু ছয়খন বাৰ্ষিক পৰিকল্পনা ৰূপায়ণ কৰিছিল।

ইমান পৰিমাণ টকা ব্যয় হোৱা সত্ত্বেও দেশত সকলো অংশতে সমানে উন্নয়ন হোৱা নাছিল। যোৱা প্ৰায় তিনিটা দশকত পৰিকল্পনা আয়োগত কিছুমান কেৰোণে গা কৰি উঠিছিল। বহুতে অনুভৱ কৰিছিল যে পৰিকল্পনা আয়োগ চালি-জাৰি চোৱাৰ প্ৰয়োজন হৈ পৰিছে।

ইতিমধ্যে দেশত ৰাজনৈতিক পৰিবৰ্তন ঘটিল। ২০১৪ চনৰ ২৬ মে' তাৰিখে ভাৰতবৰ্ষত কেন্দ্ৰীয় চৰকাৰ গঠন কৰিলে বিজেপি দলে। দেশৰ প্ৰধানমন্ত্ৰী হ'ল নৰেন্দ্ৰ মোডী। ক্ষমতালৈ অহাৰ ৭ মাহ পাছত মোডীয়ে দেশলৈ এটা ডাঙৰ পৰিবৰ্তন আনিলে। ইয়াৰ আগতে ২০১৪ চনৰ ১৫ আগষ্টৰ স্বাধীনতা দিৱসৰ ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে পৰিকল্পনা আয়োগৰ ঠাইত এটা নতুন আৰু আধুনিক সংস্থা গঠন কৰা হ'ব বুলি ঘোষণা কৰিলে।

প্ৰধানমন্ত্ৰীয়ে ২০১৪ চনৰ ১৫ আগষ্ট আৰু ২০১৫ চনৰ ১ জানুৱাৰিৰ ভিতৰৰ সময়ছোৱাত এই বিষয়ে বিভিন্ন ক্ষেত্ৰত আলোচনা কৰিলে। প্ৰধানমন্ত্ৰীয়ে এই বিষয়ে দেশৰ মুখ্যমন্ত্ৰীসকলৰ লগতো আলোচনা কৰিলে। আলোচনাৰ অন্তত গৰিষ্ঠসংখ্যক মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীৰ নতুন প্ৰস্তাৱক সমৰ্থন জনালে। কিন্তু কংগ্ৰেছ দলে শাসন কৰা ৰাজ্যকেইখনৰ মুখ্যমন্ত্ৰীসকলে পৰিকল্পনা আয়োগৰ সংস্কাৰহে বিচাৰিলে, কিন্তু আয়োগৰ বিলুপ্তি নিবিচাৰিলে।

২০১৪ চনৰ ১৫ আগষ্টত কৰা প্ৰস্তাৱ মতে এই বছৰৰ (২০১৫ চন) ১ জানুৱাৰি তাৰিখে প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰিলে যে আজিৰপৰা পৰিকল্পনা আয়োগ নাথাকে আৰু তাৰ ঠাইত আজিৰপৰা এটা নতুন প্ৰতিষ্ঠান গঠন কৰা হ'ল। সেই নতুন প্ৰতিষ্ঠানটোৰ নাম হ'ল নিটি আয়োগ—NITI AAYOG (National Institution for Transforming India)। নিটি আয়োগে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহৰ বাবে নীতি নিৰ্ধাৰণ কৰিব। নিটি আয়োগৰ অধ্যক্ষ হ'ব প্ৰধানমন্ত্ৰী। আয়োগৰ উপাধ্যক্ষজনক প্ৰধানমন্ত্ৰীয়ে নিযুক্তি দিব। আয়োগৰ মুঠ সদস্য হ'ব ৭ গৰাকী। ইয়াৰ পাঁচজন স্থায়ী সদস্য আৰু দুজন অস্থায়ী সদস্য। আয়োগৰ এজন মুখ্য কাৰ্যবাহী বিষয়া আৰু ৰাজ্যসমূহৰ প্ৰতিনিধিক লৈ গঠন কৰা হ'ব এখন ৰাষ্ট্ৰীয় পৰিষদ। ৰাজ্যসমূহৰ ইছ্যুবোৰক গ্ৰহণ আৰু সমাধান কৰাৰ দায়িত্বত থাকিব ৰাষ্ট্ৰীয় পৰিষদ। আয়োগৰ

অধীনত বিশেষ আঞ্চলিক পৰিষদ থাকিব। বিভিন্ন ক্ষেত্ৰত বিশেষজ্ঞ আৰু দক্ষতাসম্পন্ন লোকক প্ৰধানমন্ত্ৰীয়ে বিশেষ আমন্ত্ৰিত সদস্যৰূপে মনোনীত কৰিব পাৰিব।

যোৱা পাঁচ জানুৱাৰিত নিটি আয়োগৰ অধ্যক্ষ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অৰ্থনীতিবিদ অৰবিন্দ পানাগাৰিয়াক আয়োগৰ উপাধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। লগতে আয়োগৰ আমন্ত্ৰিত সদস্যকো নিযুক্তি দিয়ে। সেই ছয়গৰাকী সদস্য হ'ল : অৰ্থনীতিবিদ বিবেক দেৱৰয়, ডি আৰ ডি অ'ৰ প্ৰাক্তন মুৰব্বী ভি কে সাৰাৰট, কেন্দ্ৰীয় গৃহমন্ত্ৰী ৰাজনাথ সিং, কেন্দ্ৰীয় বিত্তমন্ত্ৰী অৰুণ জেটলি, কেন্দ্ৰীয় কৃষিমন্ত্ৰী ৰাধামোহন সিং আৰু ৰেলমন্ত্ৰী সুৰেশ প্ৰভু। বিশেষ আমন্ত্ৰিত সদস্যসকল হ'ল : নীতিন গাডকাৰি, স্মৃতি জুবিন ইৰাণী আৰু থাৱাৰ চান্দ গেহ্‌লট।

**

আয়োগৰ সদস্যসকলে 'উন্নয়নৰ ভাৰতীয় পথ'হে অনুসৰণ কৰিব; এওঁলোকৰ বাবে ভাৰতীয় পৰিস্থিতিত উন্নয়নৰ কোনো বিদেশী আৰ্হি গৃহীত নহ'ব। আয়োগৰ কাম-কাজ সদায় কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সহযোগিতাত সমাপন হ'ব। নিটি আৰু পৰিকল্পনা আয়োগৰ গঠনৰ এখন তুলনামূলক ছবি তলত দিয়া হ'ল :

| নিটি আয়োগ | পৰিকল্পনা আয়োগ |
|---|---|
| **অধ্যক্ষ : প্ৰধানমন্ত্ৰী** | **অধ্যক্ষ : প্ৰধানমন্ত্ৰী** |
| **গভৰ্ণিং কাউন্সিল** (পৰিচালনা পৰিষদ)<br>মুখ্যমন্ত্ৰীসকল আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ লেফটেনেণ্ট গৱৰ্ণৰসকল | **নেশ্যনেল ডেভেলপমেণ্ট কাউন্সিল** (ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদ)<br>প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰীমণ্ডল, ৰাজ্য বিত্তমন্ত্ৰীসকল |
| **আঞ্চলিক পৰিষদ**<br>(Regional Council)<br>প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীসকল | এই ব্যৱস্থা নাই। |
| **উপাধ্যক্ষ,** প্ৰধানমন্ত্ৰীয়ে নিযুক্তি দিব।<br>(Vice Chairman) | **সহ অধ্যক্ষ** (Deputy Chairman)<br>প্ৰধানমন্ত্ৰীয়ে নিযুক্তি দিব। |
| **পদেন সদস্য** (Ex-Officio members)<br>মনোনীত কেন্দ্ৰীয় মন্ত্ৰীসকল | **পদেন সদস্য** (Ex-officio member)<br>পৰিকল্পনা মন্ত্ৰী (Minister of Planning) |
| **মুখ্য কাৰ্যবাহী বিষয়া** (Chief Executive Officer<br>প্ৰধানমন্ত্ৰীয়ে নিযুক্তি দিব | **সচিব**—পৰিকল্পনা বিভাগ |

** উৎস : 'দ্য হিন্দু', ২ জানুৱাৰি, ২০১৫

**কুইজৰ উত্তৰসমূহ**

১। বাৰাক ওবামা ২। ১) ৩। ঘ) ৪। খ) ৫। নৰকান্ত বৰুৱা ৬। সৰোজিনী নাইডু ৭। জ্ঞানপীঠ বঁটা ৮। ঘ) ৯। ঘ) ১০। খ) ১১। ক) ১২। জৱাহৰলাল নেহৰু ১৩। মধুপুৰ বহুদূৰ ১৪। পেট্ৰিক ম'ডিয়ান' ১৫। কলিয়াবৰ (নগাঁও)

# কম অক্সিজেনৰ বিপদ

■ অভিজিত শৰ্মা বৰুৱা

আমাৰ বিশ্বত সামগ্ৰিকভাৱে উদ্ভিদৰ পৰিমাণ আৰু অৰণ্য ভূমিৰ পৰিমাণ কমাৰ ফলত বৰষুণৰ পৰিমাণ কমা, গোলকীয় উষ্ণতা বৃদ্ধি হোৱা, জলবায়ু অস্থিৰ হোৱা আদি ঘটনা ঘটিবই লাগিছে। তদুপৰি ইয়াৰ ফলত হ'ব পৰা আন এক গুৰুত্বপূৰ্ণ আৰু চিন্তাজনক প্ৰতিক্ৰিয়া হ'ল বায়ুমণ্ডলত অক্সিজেনৰ পৰিমাণ কমি অহা। ইয়াৰ লগত সম্পৰ্কিত আন এক সমস্যা হ'ল কাৰ্বন ডাই-অক্সাইডৰ পৰিমাণ বাঢ়ি যোৱা।

### বায়ুমণ্ডলত অক্সিজেনৰ সমতা

আমি সকলোৱে জানো যে জীৱজগতৰ সকলো প্ৰাণী, উদ্ভিদৰ বাবে শ্বাস-প্ৰশ্বাস এক অতি প্ৰয়োজনীয় প্ৰক্ৰিয়া আৰু এই প্ৰক্ৰিয়াত জীৱজগতে বায়ুমণ্ডলৰ অক্সিজেন গ্ৰহণ কৰি কাৰ্বন ডাই-অক্সাইড বায়ুমণ্ডললৈ এৰি দিয়ে। সেই হিচাপত বায়ুমণ্ডলত অক্সিজেনৰ পৰিমাণ হ্ৰাস হৈ আহি কাৰ্বন ডাই-অক্সাইড বাঢ়ি যাব লাগিছিল। পাছে আমাৰ বাবে অতি স্বস্তিৰ কথা হ'ল যে উদ্ভিদে তাৰ আন এক গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া সালোক সংশ্লেষণৰ যোগেদি শৰ্কৰাজাতীয় আহাৰ প্ৰস্তুত কৰাৰ সময়ত বায়ুমণ্ডলৰ কাৰ্বন ডাই-অক্সাইড গ্ৰহণ কৰি বায়ুমণ্ডললৈ অক্সিজেন এৰি দিয়ে। এই দুয়ো প্ৰক্ৰিয়াৰ সমন্বয়ত বায়ুমণ্ডলত অক্সিজেনৰ সমতা ৰক্ষা হয়। বায়ুমণ্ডলত অক্সিজেন যোগান ধৰাৰ ক্ষেত্ৰত কিন্তু প্ৰাণীজগতৰ একো ভূমিকা নাই, বৰং উদ্ভিদজগতৰহে বিশেষ ভূমিকা আছে। গতিকে যদি মানুহকে ধৰি প্ৰাণীজগতৰ প্ৰাণীৰ সংখ্যা বাঢ়ি যায় আৰু উদ্ভিদ জগতৰ অন্তৰ্গত অৰণ্যভূমি বা গছ-গছনি কমি আহে, তেন্তে বায়ুমণ্ডলত অক্সিজেনৰ পৰিমাণ কমি যাবই আৰু অক্সিজেনৰ সমতা বিনষ্ট হ'ব। এনে ধৰণৰ পৰিঘটনাই পাছত ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে।

### পৃথিৱীত আগতেও অক্সিজেনৰ পৰিমাণ কমিছিল নেকি ?

বিশ্বত জীৱ সৃষ্টিৰ সময়ৰপৰা এতিয়ালৈকে কেইবাটাও বৃহৎ গণবিলুপ্তিৰ ঘটনা ঘটি গৈছে। এনে গণবিলুপ্তিত হঠাতে বৃহৎসংখ্যক জীৱ-জন্তু পৃথিৱীৰপৰা বিলুপ্ত হৈ যায়। অৱশ্যে তাৰ পাছত লাহে লাহে পৰিৱেশ অনুকূল হৈ পুনৰ নতুন জীৱৰ সৃষ্টি হয়, জীৱৰ বিবৰ্তন ঘটে আৰু বিশ্ব আকৌ জীৱ-জন্তুৰে ভৰি পৰে। কিন্তু এই গণবিলুপ্তিৰ ঘটনাবোৰনো কিয় ঘটে? এই চিন্তাই বিজ্ঞানীসকলক সততে বিব্ৰত কৰি আহিছে আৰু এতিয়াও এই সম্পৰ্কে গৱেষণা-অধ্যয়ন চলি আছে।

এতিয়ালৈকে সংঘটিত পাঁচটা গণবিলুপ্তিৰ ভিতৰত আটাইতকৈ মাৰাত্মকটো ঘটিছিল এতিয়াৰপৰা প্ৰায় ২৫১ নিযুত বছৰ আগতে। ইয়াক 'বৃহৎ মৃত্যুৰ ঘটনা' (The great dying) নামেৰে অভিহিত কৰা হৈছে। এই গণবিলুপ্তিৰ সময়ত তেতিয়া পৃথিৱীৰ প্ৰায় ৯০ শতাংশ জলচৰ আৰু ৭৫ শতাংশ স্থলচৰ জীৱ (প্ৰাণী আৰু উদ্ভিদ) বিশ্বৰপৰা একেবাৰে বিলুপ্ত হৈ পৰিছিল। কিছুদিনৰ আগতে ইয়েল বিশ্ববিদ্যালয়ৰ এটা গৱেষক দলে কাৰ্বন চক্ৰ মডেলিং আৰু আন পদ্ধতিৰদ্বাৰা এই পৰিঘটনাৰ প্ৰকৃত কাৰণ উদঘাটন কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকৰ গৱেষণা-অধ্যয়নৰ তথ্য-পাতি 'ছায়েন্স' পত্ৰিকাত প্ৰকাশিত হৈছে আৰু তাৰ জৰিয়তে যি তথ্য পোহৰলৈ আহিছে, সেয়া বেছ অভিনৱ আৰু চিন্তনীয়। তেওঁলোকৰ মতে ২৫১ নিযুত বছৰ আগতে ঘটা গণবিলুপ্তিৰ ঘটনাৰ মূল কাৰণ আছিল পৃথিৱীত অক্সিজেনৰ পৰিমাণ কমি যোৱা।

### তেতিয়া কি হৈছিল ?

সেই সময়ত বিশ্বৰ প্ৰায় সমস্ত ভূমি আছিল 'পেন্‌জিয়া' (Pangea) নামৰ এক অতিমহাদেশৰ

অন্তৰ্গত। প্ৰায়বোৰ স্থলচৰ জীৱই এই পেন্‌জিয়াতে বসবাস কৰিছিল।

পাৰ্মিয়ান যুগৰ প্ৰথমভাগত পৃথিৱীৰ বায়ুমণ্ডলত অক্সিজেনৰ পৰিমাণ আছিল ৩০ শতাংশ। সেয়া হ'ল বৰ্তমানৰ ২১ শতাংশতকৈ যথেষ্ট বেছি। পাছে তাৰ পাছতে কোনো অজ্ঞাত কাৰণত অক্সিজেনৰ পৰিমাণ ক্ৰমে কমি আহিবলৈ ধৰিলে। পাৰ্মিয়ান যুগৰ শেষলৈ এই পৰিমাণ হ'লগৈ ১৬ শতাংশ। কিন্তু অক্সিজেনৰ পৰিমাণ হ্ৰাস হোৱাটো শেষ নহ'ল। এই পৰিঘটনা তাৰ পাছৰ ট্ৰিয়াছিক যুগতো চলি থাকিল। ট্ৰিয়াছিক যুগৰ আৰম্ভণিৰ ১০ নিযুত বছৰৰ পাছত অক্সিজেনৰ পৰিমাণে সৰ্বকালৰ নিম্নতম মান ১২ শতাংশ পালেগৈ। ২০ নিযুত বছৰৰ ভিতৰতে ৩০ ৰপৰা ১২ শতাংশ ! কম কথা নহয় !

কম পৰিমাণৰ অক্সিজেনত, প্ৰাণীবোৰে বাৰু কেনে অসুবিধাৰ সন্মুখীন হয় ? বৰ্তমানৰ বিশ্বত সমুদ্ৰ পৃষ্ঠৰপৰা ৯,২০০ ফুট উচ্চতাত অক্সিজেনৰ পৰিমাণ ১৬ শতাংশ। অৰ্থাৎ ১৬ শতাংশ অক্সিজেনৰ পৰিবেশত থকা মানে হ'ল—৯,২০০ ফুট পৰ্বত এটাৰ শৃংগত গৈ উশাহ-নিশাহ লোৱা, যিটো বেছ কষ্টকৰ। আনহাতে ১২ শতাংশ অক্সিজেনৰ অৰ্থ হ'ল—১৭,৪০০ ফুট উচ্চতাত উশাহ-নিশাহ লোৱা। সেইটোতো বহুত প্ৰাণীৰে বাবে অসম্ভৱ কথা। পৃথিৱীত বৰ্তমান সিমান উচ্চতাত কোনো স্থায়ী আবাসস্থলী নাই।

সেই সময়ত পৃথিৱীৰ প্ৰাণীসমূহ তেনে এক পৰিবেশৰ সন্মুখীন হৈছিল। অক্সিজেনৰ পৰিমাণ এনেদৰে অস্বাভাৱিকভাৱে কমি অহাত জীৱবোৰৰ অবৰ্ণনীয় কষ্ট হৈছিল। তাৰ লগতে সৃষ্টি হৈছিল আন কিছু প্ৰতিকূল পৰিস্থিতি। পাৰ্মিয়ান যুগৰ শেষৰ ফালৰপৰা বায়ুমণ্ডলত কাৰ্বন ডাই-অক্সাইডৰ পৰিমাণ বাঢ়ি আহিছিল। এক উত্তম গ্ৰীণহাউছ গেছ হিচাপে কাৰ্বন ডাই-অক্সাইডে বায়ুমণ্ডলৰ উষ্ণতা বঢ়াই তুলিছিল। গতিকে বিশ্বৰ জলবায়ু ক্ৰমে গৰম হৈ আহিছিল। বৰ্ধিত গৰমৰ বাবে শৰীৰৰ উষ্ণতা বাঢ়ি গৈছিল আৰু দেহৰ বিপাকীয় হাৰো বাঢ়িছিল। গতিকে দেহৰ বাবে অক্সিজেনৰ চাহিদাও বৃদ্ধি পাইছিল। অক্সিজেনৰ চাহিদা বাঢ়িছে, কিন্তু যোগান উদ্বেগজনকভাৱে কমি আহিছে। এক প্ৰাণান্তকৰ অৱস্থা।

অক্সিজেনৰ পৰিমাণ কম হোৱাটোৱে শৰীৰৰ কোনো আঘাত বা কিছু শাৰীৰিক উপসৰ্গ স্বাভাৱিকভাৱে ভাল হোৱাটো লেহেমীয়া আৰু কিছু ক্ষেত্ৰত অসম্ভৱ কৰিয়েই তুলিছিল।

পেন্‌জিয়া মহাদেশত কিছুমান গিৰিপথ আছিল সেই গিৰিপথবোৰেদি প্ৰাণীবোৰে এক অঞ্চলৰপৰা সুবিধাজনক আন এক অঞ্চললৈ অহা-যোৱা কৰিব পাৰিছিল। পাছে ঠেক গিৰিপথবোৰত অক্সিজেনৰ পৰিমাণ একেবাৰে কম হোৱা বাবে সেই গিৰিপথবোৰেদি প্ৰাণীবোৰে চলাচল কৰিব নোৱৰা হৈছিল আৰু অতি অসুবিধাজনক হ'লেও একে অঞ্চলতে সীমাবদ্ধ হৈ থাকিবলগীয়া হৈছিল।

প্ৰাণীৰ বাবে অতি আৱশ্যকীয় আহাৰ আৰু পানী নহ'লে প্ৰাণীবোৰ হয়তো কেইদিনমান জীয়াই থাকিব পাৰে, কিন্তু উশাহত অক্সিজেন নোলোৱাকৈ কেই মিনিটমানো থাকিব নোৱাৰে। তেনেই কম পৰিমাণৰ অক্সিজেনৰ ফলতে হয়তো ব্যাপক হাৰতে জীৱজগতৰ মৃত্যুৰ সূচনা হৈছিল আৰু সেই গণবিলুপ্তিৰ পথ সুগম হৈ উঠিছিল।

**ভৱিষ্যতৰ বাবে আদি পাঠ**

গছ কাটি, অৰণ্যভূমি ধ্বংস কৰি প্ৰকৃতিৰ ওপৰত ইমান অত্যাচাৰ চলোৱাৰ পাছতো আমাৰ বিশ্বৰ বায়ুমণ্ডলৰ অক্সিজেনৰ সমতাত এতিয়ালৈকে গুৰুতৰ ব্যাঘাত জন্মা নাই। এনে ধ্বংস অব্যাহত থাকিলে ভৱিষ্যতে যে ইয়াত ব্যাঘাত জন্মিব আৰু অক্সিজেনৰ পৰিমাণ কমি গৈ কাৰ্বন ডাই-অক্সাইডৰ পৰিমাণ বাঢ়ি আহিব, সেয়া প্ৰায় নিশ্চিত। তেতিয়া হয়তো আন এক বৃহৎ গণবিলুপ্তিৰ পথ উন্মুক্ত হৈ যাব। গতিকে এতিয়া আমাৰ সকলোৰে ওপৰত এক গধুৰ দায়িত্ব আহি পাৰিছে। সেয়া হ'ল—অক্সিজেনৰ পৰিমাণ কমিব পৰা আৰু কাৰ্বন ডাই-অক্সাইডৰ পৰিমাণ বাঢ়িব পৰা সকলো কাৰ্য বন্ধ কৰি আমাৰ পৃথিৱীখনত ভৱিষ্যত প্ৰজন্মৰ বাবে উপযুক্ত অনুকূল পৰিবেশ বৰ্তাই ৰখা। ◎

## প্ৰথম অসমীয়া মুখ্য নিৰ্বাচন আয়ুক্ত



যোৱা ১৬ জানুৱাৰি তাৰিখে ভাৰতৰ নিৰ্বাচন আয়োগৰ মুখ্য নিৰ্বাচন আয়ুক্ত (CEC) হিচাপে দায়িত্ব গ্ৰহণ কৰে হৰিশংকৰ ব্ৰহ্মই। মুখ্য নিৰ্বাচন আয়ুক্তৰ পদ লাভ কৰা ব্ৰহ্মই হৈছে প্ৰথমজন অসমীয়া। তেওঁ নতুন দিল্লীত অৱসৰপ্ৰাপ্ত মুখ্য নিৰ্বাচন আয়ুক্ত ভি এছ সম্পথৰপৰা দায়িত্বভাৰ গ্ৰহণ কৰে। ইয়াৰ আগতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমজন ব্যক্তি হিচাপে জে এম লিংডোৱে মুখ্য নিৰ্বাচন আয়ুক্তৰ পদ অলংকৃত কৰিছিল।

১৯৫০ চনৰ ১৯ এপ্ৰিলত কোকৰাঝাৰ জিলাৰ থুৰিবাৰী গাঁৱত জন্মগ্ৰহণ কৰা হৰিশংকৰ ব্ৰহ্ম ৰাজনীতিবিজ্ঞান বিষয়ৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী। তেওঁ ১৯৭৫ চনত অন্ধ্ৰপ্ৰদেশ কেডাৰৰ আই এ এছ বিষয়া হিচাপে চৰকাৰী চাকৰিত যোগদান কৰিছিল। বিভিন্ন বিভাগৰ পদবীত কাৰ্যনিৰ্বাহ কৰা ব্ৰহ্মই ২০১০ চনৰ ৩০ এপ্ৰিলত ভাৰত চৰকাৰৰ শক্তি মন্ত্ৰালয়ৰ সচিব পদৰপৰা অৱসৰ গ্ৰহণ কৰে। নিকা ভাবমূৰ্তিৰ কৰ্মপটু এইজন অসমীয়া বিষয়াই ২০১০ চনৰ ২৫ আগষ্টত ভাৰতৰ নিৰ্বাচন আয়ুক্তৰ দায়িত্ব গ্ৰহণ কৰিছিল। মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে দায়িত্ব গ্ৰহণ কৰি হৰিশংকৰ ব্ৰহ্মই প্ৰকাশ কৰিছে যে নিৰ্বাচন ব্যৱস্থাপনাৰ মান শেহতীয়া প্ৰযুক্তিৰ জৰিয়তে উন্নত কৰাৰ ক্ষেত্ৰত তেওঁ অগ্ৰাধিকাৰ দিব।

## শ্ৰীলংকাৰ নতুন ৰাষ্ট্ৰপতি ছিৰিসেনা



যোৱা ৮ জানুৱাৰি তাৰিখে অনুষ্ঠিত ৰাষ্ট্ৰপতি নিৰ্বাচনত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয় মৈত্ৰীপাল ছিৰিসেনা। তেওঁ যোৱা দহ বছৰ ধৰি ক্ষমতা দখল কৰি থকা মহিন্দ ৰাজাপাক্ষেক ৪ লাখতকৈ অধিক ভোটত পৰাস্ত কৰিবলৈ সক্ষম হৈছে। এই নিৰ্বাচনত জয়লাভ কৰা ছিৰিসেনা হৈছে দেশখনৰ ষষ্ঠজন ৰাষ্ট্ৰপতি। ৰাষ্ট্ৰপতিৰ লগতে নতুন প্ৰধানমন্ত্ৰী হিচাপে ৰণীল বিক্ৰমসিংহেয়ো দায়িত্বভাৰ গ্ৰহণ কৰে। ৰাজাপাক্ষে চৰকাৰৰ অধীনত স্বাস্থ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা ছিৰিসেনা হৈছে শ্ৰীলংকাৰ ফ্ৰীডম পাৰ্টিৰ সাধাৰণ সম্পাদক।

## দ্বীপেন বৰুৱা আৰু কীৰ্তিকমল ভূঞালৈ শিল্পী বঁটা

বিশিষ্ট গীতিকাৰ কীৰ্তিকমল ভূঞা আৰু সংগীত শিল্পী দ্বীপেন বৰুৱাক ২০১৫ বৰ্ষৰ অসম চৰকাৰৰ শিল্পী বঁটাৰ বাবে মনোনীত কৰা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে ১৭ জানুৱাৰিত ৰবীন্দ্ৰ ভৱনত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা শিল্পী দিৱসৰ অনুষ্ঠানত দুয়োগৰাকী শিল্পীক এই বঁটা প্ৰদান কৰে। চৰকাৰে ১৯৯৯ চনৰ পৰা প্ৰদান কৰি অহা এই বঁটাত আছে নগদ এক লাখ টকাৰ লগতে এখন প্ৰশস্তি পত্ৰ আৰু অংগবস্ত্ৰ।

উল্লেখযোগ্য যে ১৯৪২ চনত গোলাঘাট জিলাৰ কাছাৰীহাটৰ কাকতি গাঁৱত জন্মগ্ৰহণ কৰা গীতিকাৰ কীৰ্তিকমল ভূঞাই এতিয়ালৈকে কেইবা শতাধিক গীত ৰচনাৰে ৰাজ্যৰ সংগীত ক্ষেত্ৰখনক সমৃদ্ধ কৰিছে। ১৯৭৬ চনৰপৰা আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰৰূপে গীত ৰচনা কৰি অহা ভূঞাৰ গ্ৰন্থ কেইখনমান হ'ল 'গানে গানে', 'চৈ হেঙুলীয়া নাও', 'পদ্যত জীৱ-জন্তু', 'বিভিন্ন দেশৰ শ্ৰেষ্ঠ গল্প' (অনূদিত) ইত্যাদি।

আনহাতে অসমৰ সংগীত জগতৰ জনপ্ৰিয় শিল্পীসকলৰ অন্যতম দ্বীপেন বৰুৱাই ১৯৪৫ চনত গুৱাহাটীত জন্ম গ্ৰহণ কৰিছিল। 'ড° বেজবৰুৱা' ছবিৰ গীতত কণ্ঠদান কৰি সংগীত জগতত আত্মপ্ৰকাশ কৰা কণ্ঠশিল্পীগৰাকীয়ে 'মানৱ আৰু দানৱ', 'যোগ-বিয়োগ', 'ললিতা', 'তৰামাই', 'আজলী নবৌ', 'ককাদেউতা আৰু নাতি হাতী' আদিকে ধৰি ৫০ খন অসমীয়া ছবিত নেপথ্য গায়কৰূপে কণ্ঠদান কৰিছে।

## ১৩ সংখ্যক প্ৰবাসী ভাৰতীয় দিৱস পালন

যোৱা ৭ জানুৱাৰিৰপৰা ৯ জানুৱাৰিলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ১৩ সংখ্যক প্ৰবাসী ভাৰতীয় দিৱস গান্ধীনগৰত অনুষ্ঠিত হৈ যায়। মহাত্মা মন্দিৰত অনুষ্ঠিত এই দিৱস উদ্বোধন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। এই বৃহৎ সমাৰোহত প্ৰায় ৪০০০ প্ৰবাসী ভাৰতীয়ই অংশগ্ৰহণ কৰে। এই সভাতে প্ৰবাসী ভাৰতীয়সকলক ভোটদানৰ অধিকাৰৰ লগতে আন সা-সুবিধা প্ৰদান কৰিব বুলি কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ কথা ঘোষণা কৰে।

## গুৱাহাটীত ৰাষ্ট্ৰীয় যুৱ মহোৎসৱ

গুৱাহাটীত যোৱা ৮ জানুৱাৰিৰপৰা ১৩ জানুৱাৰিলৈ পাঁচদিনীয়া কাৰ্যসূচীৰে ১৯ তম ৰাষ্ট্ৰীয় যুৱ মহোৎসৱ অনুষ্ঠিত হয়। নেহৰু ষ্টেডিয়ামত এই ৰাষ্ট্ৰীয় মহোৎসৱ উদ্বোধন কৰে মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে। প্ৰথমবাৰৰ বাবে গুৱাহাটীত অনুষ্ঠিত এই যুৱ মহোৎসৱত প্ৰতিখন ৰাজ্যৰপৰা এশ গৰাকীকৈ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা তথা ক্ৰীড়া মন্ত্ৰালয় আৰু অসম চৰকাৰৰ যুটীয়া তত্ত্বাৱধানত লগতে নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত এই বৰ্ণাঢ্য অনুষ্ঠানটোৰ আয়োজন কৰা হয়। পৰম্পৰাগত সাংস্কৃতিক কাৰ্যসূচীৰ উপৰি আলোচনা চক্ৰ, খেল-ধেমালি আদিক সাঙুৰি লোৱা এই মহোৎসৱত ছয় কোটি টকা ব্যয় হয়। দেশৰ মুঠ ৪২০০ যুৱ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত অসমৰ ১৪৭ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছিল।

## ৰাষ্ট্ৰসংঘৰ শীৰ্ষ পদত ভাৰতৰ অতুল খাৰে



ভাৰতৰ জ্যেষ্ঠ কূটনীতিবিদ অতুল খাৰেক ৰাষ্ট্ৰসংঘৰ শান্তি অভিযানৰ গুৰুত্বপূৰ্ণ বিভাগ 'ডিপাৰ্টমেণ্ট অব ফিল্ড ছাপৰ্ট'ৰ 'আণ্ডাৰ ছেক্ৰেটেৰী জেনেৰেল' হিচাপে নিযুক্তি প্ৰদান কৰা হৈছে। যোৱা ৮ জানুৱাৰি তাৰিখে খাৰেক এই নিযুক্তি প্ৰদান কৰে ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান বেন কি মুনে। ৫৫ বছৰীয়া খাৰেই মুখ্য কাৰ্যালয়ৰ দায়িত্বৰ লগতে বিভিন্ন ক্ষেত্ৰত চলি থকা কাম-কাজো চোৱা-চিতা কৰিব। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰসংঘৰ বিভিন্ন অভিযানত অংশগ্ৰহণ কৰি খাৰেই কৰ্মদক্ষতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে।

## অসম সাহিত্য সভাৰ 'সদস্য মহীয়ান' আৰু 'সাহিত্যাচাৰ্য' সন্মান প্ৰদান

ৰাজ্যৰ বিশিষ্ট ভাষাবিদ, অধ্যাপক ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীক অসম সাহিত্য সভাৰ সৰ্বোত্তম সন্মান 'সদস্য মহীয়ান' আনুষ্ঠানিকভাৱে যোৱা ১০ জানুৱাৰিত প্ৰদান কৰা হয়। লগতে বিশিষ্ট সাহিত্যিক ড° দুৰ্গেশ্বৰ শৰ্মা, নিৰুপমা বৰগোহাঞি আৰু বিশ্বেশ্বৰ হাজৰিকাক সাহিত্য সভাৰ বিশিষ্ট সন্মান 'সাহিত্যাচাৰ্য' প্ৰদান কৰা হয়। ৰয়েল শিক্ষা প্ৰতিষ্ঠানৰ সহযোগত অনুষ্ঠিত অসম সাহিত্য সভাৰ 'সমাৱৰ্তন-২০১৪'ত এই সন্মানসমূহ প্ৰদান কৰা হয়।

## হীৰেন্দ্ৰনাথ দত্তলৈ অসম উপত্যকা সাহিত্য বঁটা

জীৱনজোৰা সাহিত্য সাধনাৰে অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰা অসমৰ বিশিষ্ট সাহিত্যিক হীৰেন্দ্ৰনাথ দত্তক ২০১৪ বৰ্ষৰ অসম উপত্যকা সাহিত্য বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। উইলিয়ামচন মেগৰ শৈক্ষিক ন্যাসে সৃজনীমূলক অসমীয়া সাহিত্য আৰু সাহিত্যিকক উদগণি আৰু সন্মান প্ৰদানৰ উদ্দেশ্যে ১৯৯০ চনৰপৰা প্ৰতি বছৰে এই বঁটা প্ৰদান কৰি আহিছে।

তেওঁ ২০০৪ চনত 'মানুহ অনুকূলে' নামৰ কাব্যপুথিখনৰ বাবে সাহিত্য অকাডেমি বঁটা আৰু ২০১৩ চনত মুম্বাই ৰামনাথ ভট্টাচাৰ্য ন্যাসৰপৰা পদ্মনাথ বিদ্যা বিনোদন পুৰস্কাৰ লাভ কৰিছিল। এইজনা প্ৰথিতযশা সাহিত্যিকৰ জন্ম হৈছিল ১৯৩৭ চনৰ ১ মাৰ্চত যোৰহাট জিলাৰ তিতাবৰত। ১৯৮১ চনত গুৱাহাটীৰ বাণী প্ৰকাশনে প্ৰকাশ কৰা 'সোমধিৰিৰ সোঁৱৰণি আৰু অন্যান্য কবিতা' শীৰ্ষক পুথিখন হৈছে সাহিত্যিক দত্তৰ প্ৰথম প্ৰকাশিত পুথি। তেওঁৰ আন কেইখনমান প্ৰকাশিত পুথি হ'ল—কিতাপৰ ভৱিষ্যৎ, পল অনুপলৰ আঁচ, নিৰ্বাচিত সমালোচনা, মোৰ প্ৰবন্ধ ইত্যাদি। এইগৰাকী

স্বনামধন্য সাহিত্যিকক মাৰ্চ মাহত আনুষ্ঠানিকভাৱে গুৱাহাটীত এই বঁটা প্ৰদান কৰা হ'ব। তেওঁ ২০০০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ইংৰাজী বিভাগৰ ৰীডাৰ হিচাপে অৱসৰ গ্ৰহণ কৰিছিল।

## পোৱালি দিয়া ভেকুলী

কণী নপৰাকৈয়ে ভেকুলীয়ে পোৱালি দিয়া বিষয়টো প্ৰথমবাৰৰ বাবে বিজ্ঞানীসকলে নিৰীক্ষণ কৰে। লিম্ন'নেক্টচ লাৰ্ভেপাৰ্টাছ নামৰ ভেকুলীৰ প্ৰজাতিটো ইন্দোনেছিয়াৰ বৰ্ষাৰণ্যত এটা যুগৰ পূৰ্বে জীৱবিজ্ঞানী তথা গৱেষক জ'ক' স্কন্দৰে আৱিষ্কাৰ কৰিছিল। বিজ্ঞানীসকলে প্ৰকাশ কৰিছে যে ভেকুলীয়ে কণী নপৰাকৈয়ে পোৱালি জগোৱা বিষয়টো আৱিষ্কাৰ হোৱাৰ পিছত ভেকুলীৰ প্ৰজনন প্ৰক্ৰিয়াৰ বিষয়ে বহু নজনা কথা জানিবৰ বাবে নতুন সমল লাভ কৰিব পৰা যাব।

## 'আইকেপ'—অসমীয়া যুৱকৰ কৃতিত্ব

দেশৰ ক্ৰীড়া ক্ষেত্ৰত এক সুদূৰপ্ৰসাৰী পৰিবৰ্তনৰ লক্ষ্যৰে 'আইকেপ' স্থাপনৰ জৰিয়তে ইতিহাস ৰচনা কৰিছে অসম সন্তান হিমাংশু তালুকদাৰে। পাটিয়ালাৰ থাপাৰ বিশ্ববিদ্যালয়ৰ ইণ্ডাষ্ট্ৰিয়েল ইঞ্জিনিয়াৰ হিমাংশুৱে এই লক্ষ্যৰে স্থাপন কৰিছে ইণ্ডিয়ান কলেজিয়েট এথলেটিক প্ৰগ্ৰেম (আইকেপ)। ভাৰতৰ যুৱ শক্তিক ক্ৰীড়াৰ উন্নত আন্তঃগাঁথনি, উৎসাহ আৰু প্ৰশিক্ষণ কাৰ্যসূচী আগবঢ়োৱাৰ লগতে ক্ৰীড়াত অংশগ্ৰহণৰ সৰ্বোচ্চ সুযোগ নিশ্চিত কৰাৰ বাবে এই অনুষ্ঠান স্থাপন কৰা হৈছে। ২০১৪ চনৰ ফেব্ৰুৱাৰি মাহত স্থাপন হোৱা আইকেপত হিমাংশুৰ সৈতে দুজন সহযোগী প্ৰতিষ্ঠাপকো আছে। তেওঁলোক দুজন হ'ল ৰজত কুমাৰ আৰু সাগৰিকা চেহাল। আইকেপে ইতিমধ্যে অলিম্পিকত স্বৰ্ণপদক জয়ী শ্বুটাৰ অভিনৱ বিন্দ্ৰা, মল্লযুঁজাৰু অখিল কুমাৰ, প্ৰশিক্ষক ছিবা মাগ'ন আদিৰ দৰে ক্ৰীড়াবিদক মেণ্টৰ হিচাপে চুক্তিবদ্ধ কৰিছে। দক্ষ টেবল টেনিছ খেলুৱৈ হিমাংশুৰ ঘৰ গুৱাহাটীত।

আইকেপে চিহ্নিত কৰা ভাৰতৰ ছটা মণ্ডল হৈছে—বাংগালুৰু, নাগপুৰ, আহমেদাবাদ, চণ্ডীগড়, গুৱাহাটী আৰু ৰাচি। ছটা চাৰ্কলৰপৰা নিৰ্বাচিত শীৰ্ষ তিনিজন খেলুৱৈ বা টীমে নতুন দিল্লীত অনুষ্ঠিত হ'বলগা 'মেজৰ'ৰ বাবে যোগ্যতা অৰ্জন কৰিব। ১৮টা দলে 'মেজৰ'ত চূড়ান্ত সন্মানৰ বাবে যুঁজ দিব। প্ৰতিভাবান খেলুৱৈসকলক বিভিন্ন মণ্ডলত প্ৰশিক্ষণ আগবঢ়োৱাৰ লগতে তেওঁলোকলৈ বিভিন্ন সাহায্য আগবঢ়োৱাৰ আঁচনিও গ্ৰহণ কৰা হৈছে।

## ভগৱানৰ ডাকঘৰ



কেৰল ভগৱানলৈ প্ৰেৰণ কৰা পত্ৰহে গ্ৰহণ কৰা হয় বাবে কেৰালাৰ এটা ডাকঘৰৰ নামকৰণ কৰা হৈছে 'ভগৱানৰ ডাকঘৰ'ৰূপে। বাতৰিৰ শিৰোনাম দখল কৰা বিখ্যাত ডাকঘৰটো কেৰালাৰ পৱিত্ৰ চহৰ হিচাপে পৰিচিত সাবাৰিমালাৰ নামনিত অৱস্থিত। এই ডাকঘৰটো কেৱল সংক্ৰান্তিৰ সময়তহে খোলা হয়। ভগৱান বিশ্বাসী মানুহে তেওঁলোকৰ আশা আৰু প্ৰাৰ্থনাসমূহ কাগজত লিখি এটা খামত ভৰাই 'প্ৰতি ভগৱানলৈ' বুলি লিখি ডাকঘৰৰ ডাক বাকচত ভৰাই থৈ আহে। এই ডাকঘৰটো উছৰ্গা কৰা হৈছে ভগৱান আয়াপ্পাৰ নামত। নৱেম্বৰত মালায়ালম মাহৰ প্ৰথম দিনটো আৰম্ভ হোৱাৰ পিছতে এই ডাকঘৰটো খোলা হয়। তদুপৰি স্থানীয় বিষ্ণু মাহৰ (মাঘ মাহ) সময়ত এই ডাকঘৰটো ১০ দিনৰ বাবে খোলা হয়। ইয়াত ৬ জন কৰ্মচাৰী আছে। কৰ্মচাৰীসকলৰ মতে, ভগৱান আয়াপ্পাৰপৰা আশীৰ্বাদ আৰু শুভদিনৰ কামনা কৰিয়েই ভক্তসকলে বিয়াৰ সময়ত বা নতুন দোকান খোলাৰ সময়ত পত্ৰ প্ৰেৰণ কৰে।

## লিম্‌কা বুক অৱ ৰেকৰ্ডছত অন্তৰ্ভুক্ত ড° নগেন শইকীয়া

লিম্‌কা বুক অৱ ৰেকৰ্ডছৰ 'পিপ্‌ল অৱ দি ইয়েৰ'ৰ ২০১৫ বৰ্ষৰ বিশেষ সাহিত্য শাখাত নাম অন্তৰ্ভুক্ত হৈছে



বিশিষ্ট সাহিত্যিক ড° নগেন শইকীয়াৰ। এই বিৰল সন্মান লাভ কৰা ড° শইকীয়া হৈছে প্ৰথম অসমীয়া। সৃষ্টিশীল লেখক তথা গৱেষক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° শইকীয়াই মানৱ সভ্যতাৰ উত্তৰণত লোৱা ভূমিকাৰ বাবে এই স্বীকৃতি লাভ কৰিছে। চলিত বৰ্ষত এই সন্মান লাভ কৰা আন কেইজনমান বিশিষ্ট ব্যক্তি হৈছে—ৰাস্কিন বণ্ড, ড° অমিতাভ ঘোষ, মহাশ্বেতা দেৱী, সীতাকান্ত মহাপাত্ৰ আদি। প্ৰত্যেক বছৰে দেশৰ বছা বছা লোকৰদ্বাৰা গঠিত এখন পেনেলৰ জৰিয়তে ‘পিপ্‌ল অৱ দি ইয়েৰ’ৰ ব্যক্তিসকলক নিৰ্বাচিত কৰা হয়। এই বৰ্ষত বিবিচিৰ নতুন দিল্লীৰ প্ৰাক্তন ব্যুৰ’ চীফ উইলিয়াম মাৰ্ক টুলি, সাহিত্য অকাডেমিৰ সচিব ড° কে ডুৱা আদিৰদ্বাৰা গঠিত এখন সমিতিয়ে ড° শইকীয়াৰ নাম চূড়ান্ত কৰিছে।

## কামৰূপ(ম) জিলাত আৰক্ষী আয়ুক্ত নিয়োগ

যোৱা ১ জানুৱাৰি তাৰিখে কামৰূপ মহানগৰ জিলাত আৰক্ষী আয়ুক্ত নিযুক্তি দিয়া হয়। অসম চৰকাৰে মহানগৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পদৰ বিলুপ্তি সাধন কৰি ১ জানুৱাৰিৰপৰা কাৰ্যকৰী হোৱাকৈ কামৰূপ(ম) জিলাক আৰক্ষী আয়ুক্তকৰণ ব্যৱস্থাৰ অধীনলৈ আনে। এটা দশক ধৰি চলা জল্পনা-কল্পনাৰ অন্ত পেলাই উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথমবাৰলৈ কামৰূপ(ম) জিলাত এই আয়ুক্তকৰণ ব্যৱস্থা আৰম্ভ কৰা হয়। মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে এই আৰক্ষী আয়ুক্ত ব্যৱস্থাৰ শুভাৰম্ভ কৰে। আৰক্ষী আয়ুক্তকৰণৰ ফলত মহানগৰীৰ আৰক্ষীত কাম-কাজ ত্বৰান্বিত হোৱাৰ আশা কৰা হৈছে। কামৰূপ (মহানগৰ) জিলাৰ মুঠ ২০ খন থানাক সামৰি আৰক্ষী আয়ুক্তকৰণৰ অধীনত পূব, পশ্চিম আৰু মধ্য নামেৰে তিনিখন নতুন আৰক্ষী জিলা গঠন কৰা হৈছে। সেই অনুসৰি পূব আৰক্ষী জিলাৰ অধীনত ছখন থানা (সোণাপুৰ থানা, ক্ষেত্ৰী থানা, বশিষ্ঠ থানা, হাতীগাঁও থানা, দিছপুৰ থানা, ভঙাগড় থানা), পশ্চিম আৰক্ষী জিলাৰ অধীনত পাঁচখন থানা (আজাৰা থানা, গড়চুক থানা, ফটাশিল আমবাৰী থানা, জালুকবাৰী থানা, ভৰলুমুখ থানা), মধ্য আৰক্ষী জিলাৰ অধীনত ৯ খন থানা (পাণবজাৰ থানা, পল্টনবজাৰ থানা, লতাশিল থানা, নুনমাটি থানা, চচল থানা, প্ৰাগজ্যোতিষপুৰ থানা আৰু সকলো মহিলা থানা) অন্তৰ্ভুক্ত কৰা হৈছে। মহানগৰ আৰক্ষী জিলাত ইতিমধ্যে জ্যেষ্ঠ আই পি এছ বিষয়া তথা অসম আৰক্ষীৰ প্ৰশাসন আৰু সশস্ত্ৰ শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান জ্যোতিৰ্ময় চক্ৰৱৰ্তীক প্ৰথমগৰাকী আৰক্ষী আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। লগতে এই নতুন ব্যৱস্থাৰ আধাৰত মহানগৰ জিলাত এগৰাকী যুটীয়া আয়ুক্ত আৰু পূব, পশ্চিম আৰু মধ্য আৰক্ষী জিলাত এগৰাকীকৈ উপ-আয়ুক্ত নিযুক্তি দিয়াৰ উপৰিও যান-বাহন, সীমান্ত, নিৰাপত্তা আৰু চোৰাংচোৱা আৰু অপৰাধ শাখাতো সৰ্বমুঠ ৭ গৰাকী উপ-আয়ুক্ত নিযুক্তি দিয়া হৈছে। তদুপৰি এই ব্যৱস্থাৰ অধীনত ১০ গৰাকী অতিৰিক্ত উপ-আয়ুক্তৰ লগতে মুঠ ২০ গৰাকী সহকাৰী আয়ুক্ত নিযুক্তি দিয়া হৈছে।

এই নতুন আৰক্ষী আয়ুক্তকৰণ ব্যৱস্থাই জিলা দণ্ডাধীশৰ বহু ক্ষমতাই লাভ কৰাৰ লগতে ১৬ খন আইনৰ ক্ষমতা আৰক্ষীক অৰ্পণ কৰা হৈছে। নতুন ব্যৱস্থা অনুসৰি আৰক্ষীয়ে দণ্ডাধীশ অবিহনেই অভিযান চলাবলৈ কৰ্তৃত্ব লাভ কৰিছে। ৰাষ্ট্ৰীয় নিৰাপত্তা, কাৰাগাৰ সম্পৰ্কীয় ক্ষমতা, অস্ত্ৰৰ অনুমতি, বিদেশী চিনাক্তকৰণ, উচ্ছেদ অভিযান আদি ক্ষেত্ৰত আৰক্ষীক ক্ষমতা প্ৰদান কৰা হৈছে।

## গণৰাজ্য দিৱসৰ মুখ্য অতিথি বাৰাক ওবামা

১৯৪৯ চনৰ ২৬ নৱেম্বৰ তাৰিখে ভাৰতবৰ্ষৰ সংবিধানখন আনুষ্ঠানিকভাৱে গ্ৰহণ কৰা হৈছিল। সংবিধান সভাৰ সভাপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে স্বাক্ষৰ

প্ৰদান কৰাৰ লগে লগে সংবিধানখনৰ কিছুমান দফা কাৰ্যকৰী কৰা হৈছিল। আনহাতে ১৯৫০ চনৰ ২৬ জানুৱাৰি তাৰিখৰপৰা এই নকৈ গ্ৰহণ কৰা সংবিধানখন সম্পূৰ্ণৰূপে ভাৰতবৰ্ষত বলবৎ কৰা হৈছিল। সেয়েহে ভাৰতবৰ্ষত প্ৰতি বছৰে ২৬ জানুৱাৰি তাৰিখটো গণৰাজ্য দিৱস হিচাপে পালন কৰা হয়। যিখন ৰাষ্ট্ৰৰ মুৰব্বী বা ৰাষ্ট্ৰপ্ৰধানজন ৰাইজৰদ্বাৰা নিৰ্ধাৰিত সময়ৰ মূৰে মূৰে নিৰ্বাচন কৰা হয়, সেয়ে গণৰাজ্য। গণৰাজ্যত বংশানুক্ৰমিক ৰাষ্ট্ৰপ্ৰধান নাথাকে। ভাৰতবৰ্ষ বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক গণৰাজ্য।

২০১৫ বৰ্ষৰ ৬৬ তম গণৰাজ্য দিৱস মহা ধুমধামেৰে অনুষ্ঠিত কৰা হয়। এইবাৰৰ গণৰাজ্য দিৱসত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি বাৰাক হুছেইন ওবামাই অংশগ্ৰহণ কৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে বাৰাক হুছেইন ওবামাৰ কোনো বিদেশী ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় দিৱসত এয়া প্ৰথম অংশগ্ৰহণ। উল্লেখযোগ্য যে যোৱা বৰ্ষৰ গণৰাজ্য দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত আছিল জাপানৰ প্ৰধানমন্ত্ৰী শ্বিনজো আবে।

ওবামাই এই ভাৰত ভ্ৰমণৰ কালছোৱাত কেতবোৰ গুৰুত্বপূৰ্ণ কথা ঘোষণা কৰে। ওবামাই তেওঁৰ বক্তব্যত ভাৰতবৰ্ষত চাৰিশ কোটি মাৰ্কিন ডলাৰ বিনিয়োগ কৰাৰ কথা উল্লেখ কৰে। তাৰ ভিতৰত দুশ কোটি মাৰ্কিন ডলাৰ পুনৰ ব্যৱহাৰযোগ্য শক্তি উৎপাদন ক্ষেত্ৰত এশ কোটি মাৰ্কিন ডলাৰ ক্ষুদ্ৰ আৰু মধ্যম বৰ্গৰ ব্যৱসায়ত ঋণ হিচাপে আৰু এশ কোটি মাৰ্কিন ডলাৰ আমেৰিকাৰ সামগ্ৰী ভাৰতলৈ ৰপ্তানি কৰাৰ ক্ষেত্ৰত বিনিয়োগ হ'ব বুলি ব্যক্ত কৰে। ইয়াৰোপৰি ভাৰতৰ তিনিখন চহৰ এলাহাবাদ, আজমীৰ আৰু বিশাখাপট্টনমক স্মাৰ্ট চিটি হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত ইউনাইটেড ষ্টেট ট্ৰেড এণ্ড ডেভেলপমেণ্ট এজেন্সিৰূপে বুজাবুজিৰ চুক্তি এখনতো স্বাক্ষৰ কৰে। ওবামাৰ এই ভ্ৰমণৰ আন এক গুৰুত্বপূৰ্ণ ফলাফল হ'ল ভাৰত আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মাজৰ পাৰমাণৱিক চুক্তিৰ অচল অৱস্থাৰ অৱসানৰ পথ মুকলি হোৱা। ২০০5 চনত ভাৰতৰ প্ৰধানমন্ত্ৰী ড° মনমোহন সিং আৰু মাৰ্কিন ৰাষ্ট্ৰপতি জৰ্জ ডব্লিউ বুশ্বৰ মাজত সেই পাৰমাণৱিক চুক্তিখন স্বাক্ষৰিত হৈছিল। কিন্তু পাৰমাণৱিক প্ৰকল্পত সংঘটিত হোৱা দুৰ্ঘটনাৰ দায়িত্ব পাৰমাণৱিক ৰিয়েক্টৰ যোগানকাৰী দেশৰ ওপৰত ন্যস্ত হৈ থকাৰ বাবে এই চুক্তি বলবৎ কৰাত অসুবিধাৰ সৃষ্টি হৈছিল। এতিয়া সেই অসুবিধা দূৰ কৰিবলৈ পাঁচটা ইঞ্চুৰেঞ্চ কোম্পানীৰে এটা ইঞ্চুৰেঞ্চ পুল গঠন কৰা হ'ব। ইয়াত পোন্ধৰশ কোটি টকাৰ বীমা কৰা হ'ব। ইয়াৰে পঞ্চাশ শতাংশ ধন কোম্পানীকেইটাই যোগান ধৰাৰ বিপৰীতে বাকী পঞ্চাশ শতাংশ ভাৰত চৰকাৰে যোগান ধৰিব। তদুপৰি পৰমাণু ৰিয়েক্টৰ যোগানকাৰী দেশে সেই ৰিয়েক্টৰৰ কাম-কাজত প্ৰত্যক্ষভাৱে হস্তক্ষেপ কৰিব নোৱাৰিব।

বাৰাক ওবামাই এই ভ্ৰমণৰ সময়ছোৱাত ভিছাৰ ক্ষেত্ৰত জটিলতা আঁতৰ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে চাৰিটা অতি গুৰুত্বপূৰ্ণ প্ৰতিৰক্ষাৰ উদ্যোগত মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ভাৰতবৰ্ষৰ যুটীয়া উৎপাদনৰ ক্ষেত্ৰত ঐক্যমতত উপনীত হয়। ভাৰতবৰ্ষই ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদ লাভ কৰাৰ ক্ষেত্ৰত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সমৰ্থনৰ কথাও ওবামাই সদৰি কৰে। মুঠতে ওবামাৰ এই ভাৰত ভ্ৰমণ ভাৰতবাসীৰ বাবে আশাব্যঞ্জক বুলিব পাৰি।

## কৰ্কট ৰোগৰ অভিনৱ চিকিৎসা পদ্ধতি উদ্ভাৱন ড° ক্ষীৰোদ গগৈৰ

সমগ্ৰ বিশ্বক কৰ্কটৰ দৰে মাৰাত্মক ৰোগৰপৰা মুক্তি প্ৰদানৰ উদ্দেশ্যে এক যুগান্তকাৰী উদ্ভাৱন কৰি উলিয়াইছে সুদূৰ আমেৰিকাত বাস কৰা অসম সন্তান ড° ক্ষীৰোদ গগৈয়ে। কেলিফৰ্ণিয়াৰ ছান ডিয়েগ' স্কুল অব মেডিচিনৰ চেলুলাৰ এণ্ড মলিকিউলাৰ মেডিচিন বিভাগত প্ৰকল্প বিজ্ঞানী হিচাপে কৰ্মৰত ড° গগৈয়ে কৰা ছবছৰীয়া গভীৰ গৱেষণাৰ ফলস্বৰূপে এই বিৰল উদ্ভাৱন সম্ভৱ হৈছে।

কৃত্ৰিম আৰ এন এ বা ৰাইব' নিউক্লিক এছিডৰ সূক্ষ্ম কণাসমূহে একধৰণৰ বিশেষ প্ৰক্ৰিয়াৰ জৰিয়তে কৰ্কট আৰু আন কেতবোৰ জটিল ৰোগৰ ভাইৰাছৰ বিৰুদ্ধে মানৱ শৰীৰত প্ৰতিৰোধী ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই প্ৰক্ৰিয়াক আৰ এন এ আই (ৰাইব' নিউক্লিক এছিড ইণ্টাৰফেৰেন্স) নামেৰে জনা যায়। ইমানদিনে চিকিৎসা বিজ্ঞানীসকলৰ

বাবে এই ক্ষেত্ৰত মূল প্ৰত্যাহ্বান আছিল আৰ এন এ আইযুক্ত ঔষধসমূহ ৰোগী এগৰাকীৰ নিৰ্দিষ্ট কোষৰ ভিতৰলৈ প্ৰেৰণ কৰাটো। ড° গগৈৰ এই উদ্ভাৱনে এতিয়া এই প্ৰক্ৰিয়াটো সম্ভৱ কৰি তুলিছে। ড° গগৈক এই ক্ষেত্ৰত সহযোগ কৰিছে কেলিফ'ৰ্নিয়া বিশ্ববিদ্যালয়ৰ ছান ডিয়েগ' স্কুল অব মেডিচিনৰ অধ্যাপক ষ্টিভেন ডাউডিয়ে। এই নতুন ব্যৱস্থাৰ জৰিয়তে এক বিশেষ মাধ্যমৰ জৰিয়তে আৰ এন এ আইযুক্ত ঔষধসমূহক ৰোগাক্ৰান্ত ব্যক্তি এগৰাকীৰ নিৰ্দিষ্ট কোষৰ ভিতৰলৈ প্ৰেৰণ কৰিব পৰা যাব।

১৯৮০ চনত যোৰহাট জিলাৰ আমগুৰিৰ ওচৰৰ হাতীমূৰীয়া গাঁৱত জন্মগ্ৰহণ কৰা গগৈয়ে আমগুৰিতে স্কুলীয়া শিক্ষা সমাপ্ত কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ৰসায়নবিজ্ঞান বিষয়ত স্বৰ্ণপদকসহ এম এছ চি ডিগ্ৰী লাভ কৰিছিল। দুবাৰকৈ চি এছ আই আৰ জুনিয়ৰ ৰিচাৰ্চ ফেল'শ্বিপ লাভ কৰা গগৈয়ে ২০০৮ চনত পুনেৰ নেছনেল কেমিকেল লেবৰেটৰীত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। সদ্যহতে তেওঁ কেলিফ'ৰ্নিয়াৰ 'হাৰ্ভাৰ্ড হিউজেছ মেডিকেল ইনষ্টিটিউট'ৰ অধ্যাপক হিচাপে 'প্ৰষ্টেট আৰু অভাৰিয়ান কেন্সাৰ'ৰ চিকিৎসা সন্দৰ্ভত গৱেষণা চলাই আছে।

## পদ্ম সন্মান প্ৰদান

আন্তৰ্জাতিক খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাসহ অসমৰ তিনিগৰাকী বিশিষ্ট ব্যক্তিলৈ ২০১৫ বৰ্ষত আগবঢ়োৱা হৈছে 'পদ্ম সন্মান'। কলাৰ ক্ষেত্ৰত আগবঢ়োৱা উৎকৃষ্ট সেৱাৰ বাবে জাহ্নু বৰুৱাক 'পদ্মভূষণ' সন্মান আগবঢ়োৱাৰ বিপৰীতে বিশিষ্ট সাহিত্যিক ড° লক্ষ্মীনন্দন বৰাক শিক্ষা আৰু সাহিত্য জগতলৈ আগবঢ়োৱা বৰঙণিৰ বাবে আৰু প্ৰকৃতিৰ সুৰক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা ব্যতিক্ৰমী অৱদানৰ বাবে 'অৰণ্য মানৱ' যাদৱ পায়েঙলৈ 'পদ্মশ্ৰী' সন্মান প্ৰদান কৰা হৈছে। চলিত বৰ্ষত দেশৰ মুঠ ১০৪ গৰাকী বিশিষ্ট ব্যক্তিলৈ এই অসামৰিক সন্মান আগবঢ়োৱা হৈছে। ৯ গৰাকীয়ে লাভ কৰিছে 'পদ্ম বিভূষণ', ২০ গৰাকীয়ে লাভ কৰিছে 'পদ্মভূষণ' আৰু ৭৫ গৰাকীলৈ 'পদ্মশ্ৰী' সন্মান আগবঢ়োৱা হৈছে। পদ্ম সন্মান লাভ কৰা সকলৰ ভিতৰত আছে ১৭ গৰাকী মহিলা। লগতে কাশ্মীৰত সন্ত্ৰাসবাদীৰ সৈতে হোৱা সংঘৰ্ষত জীৱন আহুতি দিয়া সেনা বিষয়া মেজৰ মুকুন্দ বাৰাদৰজন আৰু নায়ক নীৰজ কুমাৰক মৰণোত্তৰভাৱে অশোক চক্ৰ সন্মান প্ৰদান কৰা হৈছে।

## অভিজিত শৰ্মা বৰুৱা আৰু ড° ৰমেশ চন্দ্ৰ গোস্বামীলৈ বিজ্ঞান জনপ্ৰিয়কৰণৰ ৰাষ্ট্ৰীয় বঁটা

ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি সংযোগ পৰিষদে (National Council for Science and Technology Communication) বিশিষ্ট লেখক অভিজিত শৰ্মা বৰুৱা আৰু ড° ৰমেশ চন্দ্ৰ গোস্বামীলৈ বিজ্ঞান জনপ্ৰিয়কৰণৰ বাবে ৰাষ্ট্ৰীয় পুৰস্কাৰ আগবঢ়াইছে।



অভিজিত শৰ্মা বৰুৱা গল্পকাৰ তথা ঔপন্যাসিক হিচাপেও পাঠকৰ মাজত বিশেষ জনপ্ৰিয়। তেওঁ কলেজীয়া জীৱনৰপৰা প্ৰায় তিনি দশক জুৰি বিজ্ঞান প্ৰযুক্তিবিষয়ক লিখা-মেলা কৰি আহিছে। বিজ্ঞান আলোচনী 'নতুন আৱিষ্কাৰ', 'বিজ্ঞান সুৰভি' আদিৰ শ্ৰীশৰ্মা বৰুৱা নিয়মীয়া লিখক। প্ৰায় ৮০ খন গ্ৰন্থ ৰচনা কৰা শৰ্মা বৰুৱাৰ বিজ্ঞানমূলক গ্ৰন্থৰ সংখ্যা ২২ খন। পেছাত অভিযন্তা শৰ্মা বৰুৱা অসম বিজ্ঞান সমিতিৰ দ্বাৰা ১৯৬১ চনৰপৰা প্ৰকাশিত 'বিজ্ঞান জেউতি'ৰ সম্পাদক। তেওঁ ইতিমধ্যে শিশু-কিশোৰৰ বাবে কেইবাখনো বিজ্ঞানমূলক অনাতাঁৰ নাটক, টেলিভিছন ধাৰাবাহিকৰ বাবে কাহিনী ৰচনা কৰিছে।

দৰং কলেজৰ প্ৰাক্তন অধ্যাপক ড° ৰমেশ চন্দ্ৰ গোস্বামী এজন জনপ্ৰিয় বিজ্ঞান লেখক। তেওঁৰ জন্ম ১৯৫০ চনত নলবাৰীত। ড° গোস্বামীৰ এতিয়ালৈকে প্ৰায় আঢ়ৈ কুৰিখনমান গ্ৰন্থ প্ৰকাশ পাইছে। 'সাগৰৰ কথা', 'চিনাকি বস্তুৰ ভিতৰৰ কথা', 'প্ৰদূষণ', 'ৰং ৰং নানা ৰং', 'হাঁহি' আদি তাৰ ভিতৰত অন্যতম। ইয়াৰোপৰি ড° গোস্বামীয়ে ভালেসংখ্যক বিজ্ঞান বিষয়ক গ্ৰন্থ সম্পাদনা আৰু অনুবাদ কৰিছে। তেওঁ অসম সাহিত্য সভাৰদ্বাৰা প্ৰকাশিত বিজ্ঞান বিশ্বকোষৰ এজন অন্যতম লেখক।

**সংগ্ৰহ : কুশল গোস্বামী**

## খবৰৰ লেছেৰি বোটলা

**(২১ ডিছেম্বৰৰপৰা ২০ জানুৱাৰিলৈ)**

**২২ ডিছেম্বৰ :** ব্ৰিটিছ কণ্ঠশিল্পী জ' ককাৰৰ মৃত্যু।

**২৩ ডিছেম্বৰ :** দাদাচাহেব ফাল্কে বিজয়ী কে বালাচন্দেৰৰ দেহাৱসান।

**২৪ ডিছেম্বৰ :** প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী আৰু মদন মোহন মালব্যক ভাৰত ৰত্ন প্ৰদানৰ আনুষ্ঠানিক ঘোষণা।

**২৯ ডিছেম্বৰ :** কামৰূপ মহানগৰৰ প্ৰথম আৰক্ষী আয়ুক্ত হিচাপে জ্যোতিৰ্ময় চক্ৰৱৰ্তীক নিযুক্তি।

**৩০ ডিছেম্বৰ :** টেষ্ট ক্ৰিকেটৰপৰা মহেন্দ্ৰ সিং ধোনীৰ অৱসৰ গ্ৰহণ।

**৩১ ডিছেম্বৰ :** প্ৰখ্যাত সাহিত্যিক হীৰেন্দ্ৰ নাথ দত্তক অসম উপত্যকা সাহিত্য বঁটা প্ৰদানৰ ঘোষণা।

**১ জানুৱাৰি :** খেলুৱৈ দেৱযানী বৰা, এলেন দেউৰীক 'অসম জাতীয় বিদ্যালয় সন্মান' প্ৰদান।

- নিটি আয়োগ গঠন।
- জীৱনশিল্পী আদ্য শৰ্মালৈ 'নিউজ টাইম অসম'ৰ জীৱনজোৰা সাধনা বঁটা।
- কাটাৰৰ ড'হাত অনুষ্ঠিত সপ্তদশ এছিয়ান যুথৰ ২৯ সংখ্যক জুনিয়ৰ এছিয়ান ভাৰত্তোলনত মনালিছা সোণোৱালৰ স্বৰ্ণজয়। মনালিছাৰ উপৰি মহিন চাভানে দ্বিতীয়টো স্বৰ্ণ জয় কৰে।

**৪ জানুৱাৰি :** শুৱালকুছিৰ ভগৱান চন্দ্ৰ মহন্তৰদ্বাৰা বিদ্যুৎচালিত স্বয়ংক্ৰিয় তাঁতশালৰ উদ্ভাৱন।

- সু-সাহিত্যিক ড° নগেন শইকীয়ালৈ লিম্‌কা বুক অৱ ৰেকৰ্ডছৰ পিপল অব দা ইয়েৰ-২০১৫ সন্মান।
- ইতিহাসবিদ ড° স্বৰ্ণলতা বৰুৱাৰ দেহাৱসান।

**৮ জানুৱাৰি :** গুৱাহাটীত ৰাষ্ট্ৰীয় যুৱ মহোৎসৱ আৰম্ভ।

- জ্যেষ্ঠ ভাৰতীয় কূটনীতিবিদ অতুল খাৰেক ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী বিভাগৰ মুৰব্বী হিচাপে নিযুক্তি প্ৰদান।

**৯ জানুৱাৰি :** শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি হিচাপে মৈত্ৰীপাল ছিৰিসেনাৰ শপত গ্ৰহণ।

- জম্মু কাশ্মীৰৰ বিধানসভাৰ নিৰ্বাচনত কোনো দলে একক সংখ্যাগৰিষ্ঠ আসন নোপোৱাত বৰ্তমান ৰাজ্যপালৰ শাসন প্ৰৱৰ্তন কৰা হৈছে। ২০ ডিছেম্বৰত অন্ত পৰা নিৰ্বাচনৰ ২৩ ডিছেম্বৰত ফলাফল ঘোষণা কৰা হয়। মুঠ ৮৭ খন আসনৰ ২৮ খন লাভ কৰে মেহবুবা মুফটি নেতৃত্বাধীন পিপলছ ডেম'ক্ৰেটিক দলে। বিজেপিয়ে ২৫ খন, নেছনেল কনফাৰেন্সে ১৫ খন আৰু কংগ্ৰেছে ১২ খন আসন লাভ কৰে।

**১০ জানুৱাৰি :** ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীক অসম সাহিত্য সভাৰ সদস্য মহীয়ান আৰু নিৰুপমা বৰগোহাঞি, ড° দুৰ্গেশ্বৰ শৰ্মা, বিশ্বেশ্বৰ হাজৰিকাক অসম সাহিত্য সভাৰ 'সাহিত্যাচাৰ্য' সন্মান প্ৰদানৰ ঘোষণা।

- বৰেণ্য শিল্পী প্ৰিয়কান্ত বৈশ্যৰ বিয়োগ।

**১১ জানুৱাৰি :** মেঘালয়ৰ ৰাজ্যপাল হিচাপে কেশৰী নাথ ত্ৰিপাঠীৰ শপত গ্ৰহণ।

- মিজোৰামৰ পঞ্চদশ ৰাজ্যপাল হিচাপে আজিজ কুৰেশ্বিৰ শপত গ্ৰহণ।

**১২ জানুৱাৰি :** 'বয়হুড' ছবিলৈ শ্ৰেষ্ঠ ছবিৰ গ'ল্ডেন গ্ল'ব বঁটা। ছবিখনৰ বাবে ৰিছাৰ্ড লিংক লেটাৰ্ছক শ্ৰেষ্ঠ পৰিচালক, ইডি ৰেডমেনক শ্ৰেষ্ঠ অভিনেতা আৰু ৰুথ উইলছ্‌নক শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰদান।

**১৬ জানুৱাৰি :** ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে প্ৰথমজন অসমীয়া হৰিশঙ্কৰ ব্ৰহ্মৰ নিযুক্তি লাভ।

**১৭ জানুৱাৰি :** ভাৰতীয় বায়ুসেনাত অন্তৰ্ভুক্ত হ'ল দেশীয়ভাৱে নিৰ্মিত যুদ্ধ বিমান 'তেজস'।

**১৮ জানুৱাৰি :** ৩১ বলত শতক অৰ্জনেৰে এদিনীয়াত এ বি ডি ভিলিয়াৰ্ছৰ বিশ্ব অভিলেখ। ৱেষ্ট ইণ্ডিছৰ বিপক্ষে এই অভিলেখ অৰ্জন কৰে দক্ষিণ আফ্ৰিকাৰ অধিনায়কজনে।

**১৯ জানুৱাৰি :** প্ৰথমজন অসমীয়া হিচাপে লেফটেনেণ্ট জেনেৰেল প্ৰণৱ কুমাৰ ভৰালীৰ নতুন দিল্লীত থকা সেনাৰ সদৰ কাৰ্যালয়ৰ আৰ্মি এভিয়েছন ক'ৰৰ সঞ্চালক প্ৰধান পদত নিযুক্তি লাভ।

**২০ জানুৱাৰি :** কবি কোযেশ্বৰ বৰুৱাৰ মৃত্যু।

**সংগ্ৰহ : পংকজ কুমাৰ বৰা**

# মৌ-মাখি

■ ছেহনাজ আখতাৰ আহমেদ

মৌ-মাখি এপিছ নামৰ 'গণ'ৰ অন্তৰ্গত। বৰ্তমানলৈ মৌ-মাখিৰ ৭টামান প্ৰজাতি আৰু ৪৪টা উপপ্ৰজাতি আৱিষ্কৃত হৈছে। বিজ্ঞানৰ যিটো শাখাত মৌ-মাখিৰ বিষয়ে অধ্যয়ন কৰা হয় তাক 'এপিঅ'ল'জি' বুলি কোৱা হয়।

এটা মৌ বাহত থকা প্ৰায় ১০,০০০ৰপৰা ২০,০০০ মৌ-মাখিয়ে সিহঁতৰ জীৱনজোৰা কষ্টৰদ্বাৰা মানৱ জাতিলৈ ঔষধি আৰু পুষ্টিকৰ মৌ আগবঢ়ায়।

প্ৰতিটো মৌ-মাখি দেখাত একে যেন লাগিলেও ইহঁতৰ কিছুমানৰ দেহৰ আকাৰ, আকৃতি বেলেগ বেলেগ। মৌ-মাখিৰ এটা বাহত তিনিটা জাতি থাকে। এইকেইটা হ'ল—

**(১) ৰাণী :** ইহঁতৰ পেট দীঘল আৰু আকাৰত ডাঙৰ হয়। ৰাণীৰ একমাত্ৰ কাম হ'ল মৌ বাহত থাকি কণী পৰা।

**(২) মতা মৌ :** ইহঁত আকাৰত তুলনামূলকভাৱে সৰু। ইহঁতে কেৱল প্ৰজনন প্ৰক্ৰিয়াত ভাগ লয়।

**(৩) কৰ্মী মৌ :** কৰ্মী মৌ-মাখিবোৰ মাইকী মৌ। কিন্তু ৰাণীৰ দৰে দেহৰ গঠন নোহোৱাৰ বাবে কণী পাৰিব নোৱাৰে। মৌ-বাহৰ সকলো কাম এই কৰ্মী মৌবোৰেই কৰে।

ৰাণী মৌবোৰৰ জন্মৰপৰাই ৰাণীৰ দেহৰ দৰে গঠন নাথাকে। প্ৰথম অৱস্থাত ইহঁত কৰ্মী মৌ-মাখিবোৰৰ দৰেই থাকে। এবিধ বিশেষ খাদ্য খাই ইহঁত ৰাণীলৈ ৰূপান্তৰিত হয়। এই খাদ্যবিধৰ নাম হ'ল ৰ'য়েল জেলী। ৰ'য়েল জেলীত ফুলৰ ৰেণু, মৌৰস থকাৰ উপৰিও কিছুমান কৰ্মী মৌৰ মুখৰ ওচৰত থকা এক গ্ৰন্থিৰ পৰাই ওলোৱা এবিধ ৰস থাকে। নতুনকৈ জন্ম হোৱা যিকোনো এটা মাইকী পোৱালিক কৰ্মী মৌ-মাখিবোৰে এই ৰ'য়েল জেলী খাবলৈ দিয়ে। ইয়াৰ প্ৰভাৱত পোৱালিটোৰ দেহৰ গঠন সলনি হৈ পৰে।


এটা বাহত থকা মৌ-মাখিবোৰে নিৰ্দিষ্ট নিয়ম অনুসৰি বেলেগ বেলেগ কাৰ্য সম্পাদন কৰে। সেয়া এনেধৰণৰ—

**প্ৰতি ১০০ গ্ৰাম মৌত থকা পুষ্টিকৰ দ্ৰব্যৰ পৰিমাণ**

| | |
|---|---|
| শক্তি | ১২৭২ কিল'জুল |
| কাৰ্ব'হাইড্ৰেট | ৮২.৪ গ্ৰাম |
| চেনি | ৮২.১২ গ্ৰাম |
| চৰ্বি | ০ গ্ৰাম |
| প্ৰ'টিন | ০.৩ গ্ৰাম |
| ভিটামিন $B_2$ | ০.০৩৮ মিলিগ্ৰাম |
| $B_3$ | ০.১২১ মিলিগ্ৰাম |
| $B_5$ | ০.০৬৮ মিলিগ্ৰাম |
| $B_6$ | ০.০২৪ মিলিগ্ৰাম |
| $B_9$ | ২ মাইক্ৰ'গ্ৰাম (১ মাইক্ৰ'গ্ৰাম = ১০$^{-৬}$ গ্ৰাম) |
| কেলছিয়াম | ৬ মিলিগ্ৰাম |
| আইৰন | ০.৮২ মিলিগ্ৰাম |
| মেগনেছিয়াম | ২ মিলিগ্ৰাম |
| ফছফৰাছ | ৪ মিলিগ্ৰাম |
| পটেছিয়াম | ০২ মিলিগ্ৰাম |
| ছডিয়াম | ৪ মিলিগ্ৰাম |
| জিংক | ০.২২ মিলিগ্ৰাম |
| পানী | ১৭.১০ গ্ৰাম |

**মৌৰ ঔষধি গুণ :**

(১) শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা শক্তিশালী কৰি তোলে।
(২) কৰ্কট ৰোগ নিৰাময়তো সহায় কৰে।
(৩) পাচনতন্ত্ৰৰ আলচাৰ নোহোৱা কৰাত সহায় কৰে।
(৪) বিভিন্ন ধৰণৰ এলাৰ্জি নিৰাময় কৰে।
(৫) কাঁহ, পানীলগা আদিৰ বাবে অতি উপযোগী।
(৬) জুইয়ে পোৰা স্থানত লগালে সকাহ পোৱা যায়।




**(১) মৌ চাকৰ পৰিস্কাৰ-পৰিচ্ছন্নতা :** কিছুমান মৌ-মাখিয়ে মৌ-চাকৰ প্ৰতিটো সৰু সৰু কোঠালি পৰিষ্কাৰ কৰে। ৰাণীয়ে এই কাম নিৰীক্ষণ কৰে। কাম সন্তোষজনক নহ'লে কৰ্মী মৌ-মাখিয়ে এই কাম পুনৰ কৰিবলগীয়া হয়।

**(২) মৌ-চাক প্ৰস্তুতকৰণ :** আন কিছুমান মৌ-মাখিয়ে মমজাতীয় পদাৰ্থৰ জৰিয়তে ৬ কোণীয়া খোটালি থকা মৌ-চাক প্ৰস্তুত কৰে, ভাঙি যোৱা মৌ-চাকৰ অংশৰ পুনৰনিৰ্মাণ কৰে। ফুলৰ ৰেণু মৌ-চাকত সংগ্ৰহ কৰে। এই মমজাতীয় পদাৰ্থ কৰ্মী মৌ-মাখিবোৰৰ দেহত থকা এক গ্ৰন্থিৰ পৰা ওলায়।

**(৩) ৰাণীৰ শুশ্ৰূষাকৰণ :** কিছুমান মৌ-মাখিয়ে কেৱল ৰাণীৰ শুশ্ৰূষাতে ব্যস্ত থাকে।

**(৪) মৌ-ৰস, পানী আদিৰ সন্ধান :** মৌ-ৰস, ফুলৰ বাগিচা, পানীৰ উৎস আদি বিচাৰি উলিয়াবলৈও নিৰ্দিষ্ট কিছুমান মৌ-মাখি নিয়োজিত হয়।

কৰ্মী মৌ-মাখিবোৰে যেতিয়া কোনো ফুলৰ বাগিচা, বননি, পানীৰ উৎস আদিৰ সন্ধান পায় তেতিয়া সিহঁতে মৌচাকত থকা অন্য মৌ-মাখিক এক বিশেষ নৃত্যৰ জৰিয়তে জনায়। ইয়াকে দোলন নৃত্য বা ৱেগল নৃত্য বুলি কোৱা হয়। ইয়াক নৃত্য বুলি কোৱা হয় যদিও প্ৰকৃততে মৌ-মাখিটো ইংৰাজী 8 অংকটোৰ দৰে এটা পথেৰে বাৰে বাৰে ঘূৰি থাকে। উদাহৰণস্বৰূপে, চিত্ৰত দেখুওৱাৰ দৰে ধৰা হ'ল মৌ-মাখি এটাই A বিন্দুৰপৰা ABC পথেৰে আকৌ A বিন্দুলৈ ঘূৰি আহে। তাৰপৰা পুনৰ ABD পথেৰে আকৌ A বিন্দু পায়হি। এই ক্ষেত্ৰত সূৰ্য ABৰ লম্ব দিশত থাকে। তেনেহ'লে বুজিব লাগিব যে AB দিশত খাদ্যৰ উৎসৰ সন্ধান পোৱা গৈছে।

আনহাতে কেতিয়াবা মৌ-মাখি এটাই সূৰ্যৰ লগত $60^0$ কোণ PQR পথেৰে Pলৈ ঘূৰি আহে আৰু Pৰ পৰা পুনৰ PQS পথেৰে পুনৰ P পায়হি। এই ক্ষেত্ৰত বুজিব লাগিব যে PQ দিশত খাদ্যৰ উৎসৰ সন্ধান পোৱা গৈছে। ◎

# মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা

**■ লিপিমণি দত্ত**

বিশিষ্ট গল্পকাৰ অৰূপা পটংগীয়া কলিতাৰ 'মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা' (২০১২) নামৰ গল্পসংকলনখনে লাভ কৰিছে ২০১৪ বৰ্ষৰ সাহিত্য অকাডেমী সন্মান। 'মৰুযাত্ৰা আৰু অন্যান্য' (১৯৯২) সংকলনেৰে বিংশ শতিকাৰ নৱৈৰ দশকত আত্মপ্ৰকাশ কৰা অৰূপা পটংগীয়া কলিতাই অসমীয়া গল্পসাহিত্যলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। তেওঁৰ গল্পত সাধাৰণতে দেখা যায় দুখীয়া খাটি খোৱা মানুহৰ প্ৰতি বিশেষ সহানুভূতি। পুৰুষপ্ৰধান সমাজত এচাম দুৰ্ভগীয়া মহিলাৰ ওপৰত চলি অহা অত্যাচাৰ আৰু অবিচাৰৰ ঘটনাকো গল্পকাৰে বিষয়বস্তু হিচাপে ঠাই দি আহিছে। ইয়াৰ লগতে সন্ত্ৰাসবাদৰ ফলত সমাজত সংঘটিত অশুভ ঘটনা, যুৱ সমাজৰ স্খলন, বৃদ্ধ লোকৰ নিঃসংগতা আদি বিষয়বোৰো মানৱতাবাদী দৃষ্টিভংগীৰে গল্পকাৰে চোৱাৰ যত্ন কৰিছে। 'মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা' সংকলনতো প্ৰধানকৈ এইবোৰ দিশেই প্ৰকাশ পাইছে। সংকলনটোত মুঠ দহটা গল্প সন্নিবিষ্ট হৈছে।

এগৰাকী নিঃসংগ নাৰীৰ জীৱন-পৰিক্ৰমা 'মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা' গল্পৰ মূল বিষয়বস্তু। স্বামী-পুত্ৰৰে ভৰুণ সংসাৰ নোহোৱা হোৱাৰ পাছত হীৰা বৰুৱাৰ বাবে এটি কুকুৰেই জীৱন-যাত্ৰাৰ সংগী হৈ পৰিছে। মোমায়েকৰ মুখত বিলাতৰ মৰিয়ম আষ্টিন নামৰ মহিলাগৰাকীৰ একাকীত্বৰ কথা শুনি এসময়ত বিস্মিত হোৱা হীৰা বৰুৱায়ো নিঃসংগতাৰ যন্ত্ৰণাৰ মাজেৰে দিন কটাবলগীয়া হৈছে। য'ত মৰিয়ম আষ্টিনৰ দৰে তেওঁৰো একমাত্ৰ আশ্ৰয় হৈ পৰিছে এটি কুকুৰ। একেদৰে 'নিজৰা' গল্পত জীৱনৰ নিঃসংগতা ঢাকিবলৈ এগৰাকী মহিলাই ৰন্ধন প্ৰকৰণত নিজকে নিয়োজিত কৰাৰ কাহিনী প্ৰকাশ পাইছে।

*অশ্ৰুলিপি, আৰ্তি, চহৰখনত মাজনিশা সোমোৱা আধাপোৰা গাড়ীখন* গল্পত সন্ত্ৰাস জৰ্জৰিত পৰিবেশৰ কেইখনমান কৰুণ চিত্ৰ প্ৰকাশিত হৈছে। *অশ্ৰুলিপি* গল্পত ছটা ভিন ভিন ঘটনাৰ আধাৰত সন্ত্ৰাস-হিংসা-হত্যাই সকলো স্তৰৰ মানুহলৈ চকুপানীৰ বন্যা নমাই অনাৰ সত্যতা প্ৰকাশ কৰিছে। প্ৰতিদিনে অনাহুত, অপ্ৰীতিকৰ খবৰ কঢ়িয়াই অনা বাতৰি কাকতবোৰে হত্যা-হিংসাৰ পাহাৰ একোটা কিদৰে আমাৰ সন্মুখত তুলি ধৰে তাৰ বিৱৰণ 'আৰ্তি' গল্পত তুলি ধৰা হৈছে।

যুগ পৰিবৰ্তনৰ লগে লগে পিতৃ-মাতৃৰ সৈতে সন্তানৰ বাঢ়ি অহা ব্যৱধানৰ কিছুমান ছবি 'পুতগ্নি' গল্পত প্ৰতিফলিত হৈছে। পিতৃ-মাতৃৰ সন্তানক লৈ যি সপোন আৰু আকাংক্ষা থাকে, তাক উপলব্ধি কৰিব নোৱাৰা আজিৰ একাংশ যুৱ প্ৰজন্ম কিদৰে বিপথে পৰিচালিত হয় তাকেই গল্পটোত প্ৰকাশ কৰা হৈছে।

গল্প সংকলনটোৰ অধিকাংশ গল্পতে জীৱনৰ ঋণাত্মক দিশসমূহৰ, সংগ্ৰাম, সংকট, নৈতিকতাহীন বাস্তৱৰ চিত্ৰ প্ৰতিফলিত হ'লেও তাৰ মাজতেই শুভদিনৰ প্ৰতি আকাংক্ষাৰ গভীৰ অনুভৱ প্ৰকাশিত হৈছে। 'তাল গছৰ পুলি লগোৱা মানুহজন' গল্পটোত জীৱন উন্মুখ এজন বৃদ্ধৰ মনোবল আৰু জীৱনৰ প্ৰতি ইতিবাচক দৃষ্টিভংগীৰ উমান পোৱা যায়।

অৰূপা পটংগীয়া কলিতাৰ সকলো গল্পত ফুটি উঠে গভীৰ মানৱতাবোধ। কঠোৰ বাস্তৱৰ ছবিয়ে গল্পবোৰ যিদৰে ভাবগধুৰ কৰি তোলে, একেদৰে গল্পসমূহত কঠিন বাস্তৱৰ বিৰুদ্ধে সংগ্ৰাম কৰা মানুহবোৰৰ মুখত হতাশাৰ বিপৰীতে আশাৰ ৰেঙণি থকাও পৰিলক্ষিত হয়। 'মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা' সংকলনৰ মাজেৰেও লেখিকাই বিপৰ্যয়ৰ মাজতো অটল হৈ থকা মানুহৰ আশা আৰু সৃষ্টিশীলতাৰ জয়গান গাইছে। ◎

■ উদয়া ফুকন

# অণুবীক্ষণ



বিজ্ঞানৰ পৰীক্ষা-নিৰীক্ষাৰ বাবে প্ৰয়োজনীয় আহিলাৰ ভিতৰত এক উল্লেখযোগ্য আহিলা হ'ল অণুবীক্ষণ। ই জীৱবিজ্ঞানৰ পৰীক্ষাৰ অন্যতম প্ৰধান যন্ত্ৰ। মানৱ সভ্যতাৰ আদিতে বিৱৰ্দ্ধক কাঁচ আৱিষ্কাৰ হোৱাৰ পিছত অণুবীক্ষণ নিৰ্মাণৰ চেষ্টা চলি আহিছিল। প্ৰথম যৌগিক অণুবীক্ষণটো ১৫৯০ চনতে জেশ্বেৰিয়াছ জেনেছেন নামৰ লোক এজনে চালুকীয়াভাৱে সাজি উলিয়াইছিল। পিছত ১৭ শতিকাত লিউৱেনহক নামৰ ওলন্দাজ ব্যৱসায়ী এজনে নিজে প্ৰস্তুত কৰি উলিওৱা এক ধৰণৰ অণুবীক্ষণত এটোপাল পানীত থকা অণুজীৱ পৰ্যবেক্ষণ কৰিবলৈ সমৰ্থ হৈছিল।

এণ্টনি ভেন লিউৱেনহকৰ জন্ম ১৬৩২ চনত হলেণ্ডৰ এখন পুৰণি নগৰত হৈছিল। মাত্ৰ ১৬ বছৰ বয়সতে তেওঁ আমষ্টাৰডামৰ এজন কাপোৰৰ ব্যৱসায়ীৰ লগত থাকি ব্যৱসায় সম্বন্ধীয় জ্ঞান আহৰণ কৰিছিল। পিছত ২২ বছৰ বয়সত নিজৰ নগৰলৈ ঘূৰি আহি কাপোৰৰ ব্যৱসায় আৰম্ভ কৰিছিল। এই ব্যৱসায়ত জড়িত লোকে লেন্‌ছৰ সহায়েৰে কাপোৰৰ গুণাগুণ পৰীক্ষা কৰিছিল। লিউৱেনহকে এনে কাৰ্যত জড়িত হৈ অণুবীক্ষণ আৱিষ্কাৰ কৰিবলৈ মন মেলিছিল। তেওঁ সাজি উলিওৱা অণুবীক্ষণ লণ্ডনৰ 'ৰয়েল চছাইটি'ৰদ্বাৰা উচ্চভাৱে প্ৰশংসিত হৈছিল।

লিউৱেনহকে তেওঁৰ অণুবীক্ষণেৰে বহুতো আৱিষ্কাৰ কৰিবলৈ সমৰ্থ হৈছিল। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল বেক্টেৰিয়াৰ আৱিষ্কাৰ। তেজৰ উপাদানবোৰো তেওঁ পোনপ্ৰথমবাৰৰ বাবে পৰ্যবেক্ষণ কৰিছিল।

আধুনিক যৌগিক অণুবীক্ষণ (Compound microscope)ৰ তলৰ ফালে পোহৰ প্ৰতিফলক হিচাপে এখন দাপোণ থাকে। দাপোনত প্ৰতিফলিত পোহৰ লেন্‌ছৰ মাজেদি ঘন হৈ ওপৰৰ মঞ্চত থকা লক্ষ্যবস্তুত পৰে। লক্ষ্যবস্তুৰপৰা এই পোহৰ অণুবীক্ষণ যন্ত্ৰৰ অভিলক্ষত পৰে। অভিলক্ষই লক্ষ্যবস্তুৰ এটা সৎ আৰু বিবৰ্ধিত প্ৰতিবিম্বৰ সৃষ্টি কৰে। এই প্ৰতিবিম্বৰপৰা পোহৰ গৈ অভিনেত্ৰত পৰে। অভিনেত্ৰই ইয়াৰ এটা অসৎ আৰু বিবৰ্ধিত প্ৰতিবিম্বৰ সৃষ্টি কৰে। এইদৰে অণুবীক্ষণ যন্ত্ৰত এটা লক্ষ্যবস্তুৰ বহু গুণ বিবৰ্ধিত প্ৰতিবিম্ব গঠন হয়। ◎

## তোমালোকৰ বাবে প্ৰশ্ন

১। বিখ্যাত অম্বুবাচী মেলা বছৰৰ কোন মাহত অনুষ্ঠিত হয়?

২। অলিম্পিক বিজয়ী প্ৰথম ভাৰতীয় মহিলা খেলুৱৈ কৰ্ণাম মালেশ্বৰী কোনবিধ খেলৰ লগত জড়িত?

৩। তলত উল্লেখিত হিমালয়ৰ কোনটো শৃংগ ভাৰতবৰ্ষত অৱস্থিত নহয়?
ক) অন্নপূৰ্ণা খ) নন্দা দেৱী গ) মাউণ্ট কামেট ঘ) কাঞ্চনজংঘা

৪। তলৰ কোনবিধ সম্পূৰ্ণৰূপে একক নৃত্য?
ক) কুচিপুড়ি খ) কথক গ) মণিপুৰী ঘ) মোহিনীআট্টম

৫। অসমৰ কোনখন জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমা আটাইতকৈ দীঘল?

*(উত্তৰবোৰ তোমালোকে নিজে বিচাৰি ১৫ ফেব্ৰুৱাৰিৰ আগেয়ে পোৱাকৈ সম্পাদক, **'অন্বেষণ'** এই ঠিকনালৈ পঠিয়াবা। সম্পূৰ্ণ শুদ্ধ উত্তৰ দিওঁতাসকলৰ নাম পৰৱৰ্তী সংখ্যাত প্ৰকাশ কৰা হ'ব।)*

# কুইজ

■ **অপ্সৰা বৰুৱা**

১। ‘Audacity of Hope’ নামৰ গ্ৰন্থখনৰ লেখক কোন?

২। তলৰ জনপ্ৰিয় উদ্ধৃতিসমূহ কোন কোন বিখ্যাত ব্যক্তিৰ বিচাৰি উলিওৱা :

| **উদ্ধৃতি** | **ব্যক্তি** |
|---|---|
| হে ৰাম | আৰ্কিমিডিছ |
| ইউৰেকা, ইউৰেকা | জৱাহৰলাল নেহৰু |
| আৰাম হাৰাম হে | মহাত্মা গান্ধী |
| জয় জৱান, জয় কিষাণ | লাল বাহাদুৰ শাস্ত্ৰী |

৩। অমিল যোৰাটো বিচাৰি উলিওৱা :

| | |
|---|---|
| ক) লিও টলষ্টয় | আন্না কাৰেনিনা |
| খ) ৰাস্কিন বণ্ড | এ বণ্ড উইথ দ্য মাউন্টেইনছ |
| গ) জুল ভাৰ্ন | এৰাউণ্ড দ্য ৱৰ্ল্ড ইন এইট্‌টি দেইজ |
| ঘ) চাৰ্লছ ডিকেনছ | টুৱেণ্টি থাউজেণ্ড লীগ্‌ছ আণ্ডাৰ দ্য ছি |

৪। বিখ্যাত ভাৰতীয় লেখিকা অৰুন্ধতী ৰয়ে তেওঁৰ কোনখন গ্ৰন্থৰ বাবে বুকাৰ বঁটা লাভ কৰিছিল?

ক) লিছেনিং টু দ্য গ্ৰাছহোপাৰছ (Listening to the Grasshopers)

খ) গড্ অব স্মল থিংছ (God of Small Things)

গ) কেপিটেলিজম : এ ঘ’ষ্ট ষ্টৰি (Capitalism : A Ghost Story)

ঘ) দ্য এলজেব্ৰা অব ইনফিনিট জাষ্টিছ (The Algebra of Infinite Justice)

৫। অসমৰ এগৰাকী জনপ্ৰিয় শিশু সাহিত্যিকৰ ছদ্মনাম ‘এখুদ ককাইদেউ’। তেখেতৰ প্ৰকৃত নামটো কি?

৬। কোনগৰাকী ভাৰতীয় লেখিকাক ‘নাইটিংগেল অব ইণ্ডিয়া’ বোলা হয়?

৭। ভাৰতত সাহিত্যৰ সৰ্বোচ্চ সন্মানটোৰ নাম কি?

৮। তলৰ কোনখন গ্ৰন্থ ড° হীৰেন গোহাঁইৰদ্বাৰা ৰচিত নহয়?

ক) উৰণীয়া হাঁহৰ মাত

খ) বতাহত ক’ৰ গধূলি গোপাল

গ) ইমান তিতা সাগৰৰ পানী

ঘ) ধূসৰতাৰ কাব্য

৯। তলৰ কোনখন গ্ৰন্থ আৰ. কে. নাৰায়ণৰদ্বাৰা ৰচিত নহয়?

ক) মালগুড়ি দেইজ (Malgudi Days)

খ) স্বামী এণ্ড ফ্ৰেণ্ডজ (Swami & Friends)

গ) গাইড (Guide)

ঘ) গাৰ্ডনাৰ (Gardner)

১০। ৰবীন্দ্ৰনাথ ঠাকুৰৰ বিখ্যাত গ্ৰন্থ ‘নষ্টনীড়’ৰ ওপৰত ভিত্তি কৰি প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্মাতা সত্যজিৎ ৰায়ে তলৰ কোনখন চলচ্চিত্ৰ নিৰ্মাণ কৰিছিল?

ক) অপৰাজিতা খ) চাৰুলতা

গ) পথেৰ পাচালি ঘ) অপুৰ সংসাৰ

১১। কোনজন সংস্কৃত পণ্ডিতক ভাৰতবৰ্ষৰ হোমাৰ বুলি কোৱা হয়?

ক) কালিদাস খ) তুলসীদাস

গ) শুদ্ৰক ঘ) কৌটিল্য

১২। ‘ডিস্কভাৰি অব ইণ্ডিয়া’ কিতাপখনৰ লেখক কোন?

১৩। অসমৰ প্ৰখ্যাত লেখক শীলভদ্ৰই তেওঁৰ কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

১৪। ২০১৪ বৰ্ষৰ সাহিত্যৰ ন’বেল বঁটা বিজয়ী সাহিত্যিকগৰাকীৰ নাম কি?

১৫। জাহ্নু বৰুৱাৰ শেহতীয়া চলচ্চিত্ৰ ‘অজেয়’ এখন অসমীয়া উপন্যাসৰ আধাৰত নিৰ্মাণ কৰা হৈছে। উপন্যাসখনৰ নাম কি? ◎

# অসহযোগ আন্দোলন আৰু চৌৰী চৌৰা ঘটনা

■ হিমাদ্ৰী বৰা

মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতবৰ্ষত গঢ় লৈ উঠা প্ৰথমটো ব্ৰিটিছ বিৰোধী ৰাজনৈতিক আন্দোলন হ'ল অসহযোগ আন্দোলন। এই আন্দোলনৰ প্ৰধান কাৰ্যসূচী অনুসৰি সকলো ভাৰতীয়ক চৰকাৰী শিক্ষানুষ্ঠান, আদালত আৰু বিধান পৰিষদবোৰ বৰ্জন কৰিবলৈ আহ্বান জনোৱা হৈছিল। ইয়াৰোপৰি খাদী কাপোৰ তৈয়াৰৰ বাবে সূতা কাটিবলৈ আৰু কাপোৰ ব'বলৈ ৰাইজক অনুৰোধ কৰা হৈছিল। গান্ধীজীৰ আহ্বানত আইনজীৱীসকলেও আদালত ত্যাগ কৰিছিল। ছাত্ৰ-ছাত্ৰীয়ে স্কুল-কলেজ পৰিত্যাগ কৰি আন্দোলনত যোগ দিছিল। বিদেশী বস্তু বৰ্জন কৰা, খাদী কাপোৰৰ প্ৰচলন কৰা, অস্পৃশ্যতা দূৰীকৰণ, মদ নিবাৰণ, জাতীয় শিক্ষা প্ৰচলন আদি কাৰ্যই জনসাধাৰণৰ মাজত এক উন্মাদনাৰ সৃষ্টি কৰিছিল। এই আন্দোলন লাহে লাহে গাঁও অঞ্চলতো বিয়পি পৰিছিল। গান্ধীজীয়েও ১৯২১ খ্ৰি.ৰ আগষ্ট মাহত অসমলৈ আহি গুৱাহাটীৰ ৰাজহুৱা সভাত ভাষণ দি নিজে বিলাতী কাপোৰৰ দ'মত জুই লগাই দিছিল। অন্যহাতে ১৯২১ খ্ৰি.ৰ ১৭ নৱেম্বৰত ভাৰতলৈ অহা প্ৰিন্স অব ৱেলচক সত্যাগ্ৰহীসকলে বোম্বাইত হৰতাল কৰি আৰু সমুদ্ৰ তীৰত বিলাতী বস্ত্ৰ পুৰি বিক্ষোভ প্ৰদৰ্শন কৰিছিল। এই কাৰ্যৰ কাৰণে চৰকাৰে সত্যাগ্ৰহী, বিশেষকৈ কংগ্ৰেছৰ স্বেচ্ছাসেৱকসকলৰ ওপৰত নানা নিৰ্যাতন চলায়। সেই বছৰৰে শেষৰফালে গান্ধীজীৰ বাহিৰে সকলো বিশিষ্ট নেতাসহ প্ৰায় ত্ৰিছ হাজাৰ সত্যাগ্ৰহীক গ্ৰেপ্তাৰ কৰা হয়। কিন্তু সত্যাগ্ৰহীসকলক পুলিচৰ লাঠী, বন্দুকৰ গুলী, কাৰাবাস একোৱে ভীতিগ্ৰস্ত কৰিব নোৱাৰিলে। শক্তিশালী ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিপক্ষে নিৰস্ত্ৰ ভাৰতবাসীৰ এক অভূতপূৰ্ব সংগ্ৰাম চলিল। সেই সময়ত ভাৰতৰ গৱৰ্ণৰ জেনেৰেল তথা ভাইচৰয় আছিল লৰ্ড ৰিডিঙ। ১৯২২ খ্ৰি.ৰ ফেব্ৰুৱাৰি মাহত গান্ধীজীয়ে লৰ্ড ৰিডিঙৰ ওচৰত এখন চৰম পত্ৰ দাখিল কৰিলে। এই পত্ৰৰদ্বাৰা গান্ধীজীয়ে জনালে যে সাত দিনৰ ভিতৰত বন্দী সত্যাগ্ৰহীসকলক মুক্তি নিদিলে তেওঁ দেশবাসীক খাজনা নিদি ব্যাপক আইন অমান্য আন্দোলন চলাবলৈ নিৰ্দেশ দিব।

গান্ধীজীয়ে ভাইচৰয়ক চৰম পত্ৰ প্ৰদান কৰাৰ দিনাৰেপৰা সাতদিন পাৰ নহওঁতেই উত্তৰ প্ৰদেশৰ গোৰখপুৰ জিলাৰ চৌৰী চৌৰা নামৰ ঠাইত এক মৰ্মান্তিক ঘটনা ঘটিল। ১৯২২ চনৰ ফেব্ৰুৱাৰি মাহৰ ২ তাৰিখে চৌৰী চৌৰাৰ বজাৰত মাংসৰ দাম বাঢ়ি যোৱাৰ ঘটনাক লৈ জনতাৰ মাজত উত্তেজনাৰ সৃষ্টি হয়। এই উত্তেজনাক প্ৰতিহত কৰিবৰ বাবে পুলিচে জনতাৰ ওপৰত লাঠিচালনা কৰি এজন লোকক গ্ৰেপ্তাৰ কৰে। এই ঘটনাৰ প্ৰতিবাদত ৫ ফেব্ৰুৱাৰিৰ দিনা প্ৰায় ২০০০-২৫০০ জনতাই চৌৰী চৌৰাৰ এখন মদৰ দোকানৰ সন্মুখত চৰকাৰ বিৰোধী শ্ল'গান দিয়ে আৰু মদৰ দোকান বন্ধ কৰিবলৈ আহ্বান জনায়। প্ৰতিবাদকাৰীৰ এদল বজাৰৰ দিশে যায় আৰু পুলিচলৈ শিল দলিয়ায়। পুলিচে এই লোকসকলক প্ৰতিহত কৰিবলৈ গুলী চালনা আৰু লাঠি চাৰ্জ কৰে। পুলিচৰ গুলীত ৩ জন প্ৰতিবাদকাৰীৰ মৃত্যু হয়। সেই ঘটনাত জনতা আৰু অধিক উত্তেজিত হৈ পৰিল। একাংশ উত্তেজিত জনতাই চৌৰী চৌৰাৰ থানা আক্ৰমণ কৰি অগ্নি সংযোগ কৰাত ২২ জন পুলিচ নিহত হয়। এই ঘটনাৰ বাতৰি পাই অহিংসাৰ পূজাৰী গান্ধীজী মৰ্মাহত হৈ পৰিল। আন্দোলনে এনে হিংসাত্মক ৰূপ লোৱাত অহিংস আন্দোলনৰ বাবে দেশবাসী প্ৰস্তুত হোৱা নাই বুলি ঘোষণা কৰি তেওঁ ১৯২২ খ্ৰি.ৰ ১২ ফেব্ৰুৱাৰিত অসহযোগ আন্দোলন প্ৰত্যাহাৰ কৰে। অন্যহাতে গৱৰ্ণৰ জেনেৰেল লৰ্ড ৰিডিঙে চৌৰী চৌৰা ঘটনাৰ বাবে গান্ধীজীক জগৰীয়া কৰি ছয় বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিলে। ভাৰত বুৰঞ্জীত এই চৌৰী চৌৰা ঘটনাটোৱে এটা উল্লেখযোগ্য ঘটনাৰূপে স্থান অধিকাৰ কৰিছে। ◎

# চুড'কু

তলৰ আকৃতি দুটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰপৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ২৫

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 1 | | 9 | | 5 | | | 6 |
| | 5 | | | 7 | 8 | | | |
| | | 6 | 8 | | 1 | | 7 | 9 |
| | | | 1 | | | 2 | 9 | 4 |
| | 6 | 8 | | | | 7 | 5 | |
| 9 | 4 | 2 | | | 3 | | | |
| 3 | 8 | | 6 | | 2 | 9 | | |
| | | 1 | | 4 | | | 8 | |
| 7 | | | 3 | | 9 | | 1 | |

## চুড'কু ২৬

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | 5 | 9 | 4 | | 8 | | |
| | 8 | | | | 3 | | | 4 |
| | 9 | 1 | | 6 | 2 | | 7 | |
| | 2 | | | | 9 | 3 | | 8 |
| 5 | 7 | | | | | | 4 | 9 |
| 8 | | 9 | 1 | | | | 6 | |
| | 3 | | 7 | 8 | | 2 | 1 | |
| 6 | | | 2 | | | | 3 | |
| | | 7 | | 5 | 4 | 9 | | |

## চুড'কু ২৩ আৰু ২৪ৰ সমাধান

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 3 | 5 | 2 | 4 | 1 | 7 | 6 | 8 | 9 |
| 4 | 1 | 8 | 5 | 6 | 9 | 7 | 2 | 3 |
| 9 | 7 | 6 | 8 | 3 | 2 | 5 | 4 | 1 |
| 6 | 2 | 7 | 3 | 8 | 5 | 9 | 1 | 4 |
| 5 | 9 | 3 | 7 | 4 | 1 | 8 | 6 | 2 |
| 8 | 4 | 1 | 9 | 2 | 6 | 3 | 5 | 7 |
| 7 | 3 | 4 | 1 | 5 | 8 | 2 | 9 | 6 |
| 1 | 6 | 5 | 2 | 9 | 3 | 4 | 7 | 8 |
| 2 | 8 | 9 | 6 | 7 | 4 | 1 | 3 | 5 |

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 3 | 4 | 9 | 2 | 6 | 7 | 1 | 8 | 5 |
| 1 | 6 | 2 | 5 | 8 | 4 | 9 | 3 | 7 |
| 5 | 7 | 8 | 1 | 3 | 9 | 2 | 4 | 6 |
| 6 | 8 | 3 | 7 | 1 | 5 | 4 | 2 | 9 |
| 4 | 2 | 7 | 3 | 9 | 6 | 8 | 5 | 1 |
| 9 | 5 | 1 | 8 | 4 | 2 | 7 | 6 | 3 |
| 7 | 1 | 5 | 4 | 2 | 3 | 6 | 9 | 8 |
| 8 | 9 | 4 | 6 | 5 | 1 | 3 | 7 | 2 |
| 2 | 3 | 6 | 9 | 7 | 8 | 5 | 1 | 4 |

**শুদ্ধ উত্তৰ দিওঁতা :** অসম জাতীয় বিদ্যালয়ৰ (নুনমাটি, গুৱাহাটী) হৃদয়জ্যোতি ডেকা (৮ম), মৃগাংক মহন্ত (৫ম), গীতাঞ্জলি পাঠক (৮ম), ছন্দময় মহন্ত (৮ম), ঋপাঞ্জলি কলিতা (১০ম), ভৃগু কুমাৰ ডেকা (১০ম), মৃন্ময় কলিতা (৯ম)।

# মাৰ্টিন লুথাৰ কিং

■ ডিম্পী সন্দিকৈ

মাৰ্টিন লুথাৰ। এক গভীৰ ব্যক্তিত্বসম্পন্ন এইগৰাকী মহান নেতাৰ জন্ম হৈছিল ১৯২৯ চনৰ ১৫ জানুৱাৰিত আমেৰিকাৰ জৰ্জিয়া প্ৰদেশৰ আট্‌লাণ্টা চহৰত। তেওঁৰ দেউতাকৰ নাম আছিল মাইকেল কিং আৰু মাকৰ নাম এলবাৰ্টা উইলিয়ামছ কিং। প্ৰথমে মাৰ্টিন লুথাৰৰ নাম দেউতাকৰ নামেৰেই মাইকেল কিং ৰখা হৈছিল। পিছত দেউতাকে বিখ্যাত জাৰ্মান গুৰু মাৰ্টিন লুথাৰৰ নামেৰে তেওঁলোক দুয়োজনৰে নাম ৰাখে মাৰ্টিন লুথাৰ। তেতিয়াৰপৰাই দেউতাকক মাৰ্টিন লুথাৰ কিং ছিনিয়ৰ আৰু আজি আমাৰ আলোচ্য ব্যক্তিগৰাকীক মাৰ্টিন লুথাৰ কিং জুনিয়ৰ বুলি কোৱা হয়।

মাৰ্টিন লুথাৰ কিং জুনিয়ৰ জন্ম চহৰ আট্‌লাণ্টাতে ডাঙৰ-দীঘল হয়। তেওঁ বুকাৰ টি. উইনছটন হাইস্কুলৰপৰা হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰে। স্কুলত পঢ়াৰ সময়ৰেপৰা তেওঁ বক্তৃতা আৰু তৰ্ক কৰাৰ ক্ষমতাৰ বাবে জনাজাত হৈ পৰে। অতি কম বয়সতে তেওঁ বিভিন্ন তৰ্ক আৰু বক্তৃতা অনুষ্ঠানত অংশগ্ৰহণ কৰি পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়। ১৯৪২ চনত মাত্ৰ ১৩ বছৰ বয়সতে তেওঁ 'আট্‌লাণ্টা জাৰ্নেল' নামৰ বাতৰি কাকতখনৰ বিতৰণ বিভাগৰ সহকাৰী পৰিচালক হৈছিল। ১৯৫৫ চনত তেওঁ ব'ষ্টন বিশ্ববিদ্যালয় (Boston University) ৰপৰা পি.এইচ.ডি. ডিগ্ৰী লাভ কৰিছিল।

মাৰ্টিন লুথাৰ কিং জুনিয়ৰ এজন আমেৰিকান মানৱতাবাদী কৰ্মী আছিল। তেওঁ বিশেষকৈ আফ্ৰিকান আমেৰিকান নাগৰিক আন্দোলনৰ নেতা আছিল। মাৰ্টিন লুথাৰ এজন কৃষ্ণাংগ অৰ্থাৎ ক'লা মানুহ আছিল। সেই সময়ত আমেৰিকাত কৃষ্ণাংগ মানুহবোৰৰ কোনো স্বাধীনতা নাছিল। শ্বেতাংগ মানুহৰ তুলনাত কৃষ্ণাংগ মানুহবোৰক নীচ বুলি গণ্য কৰা হৈছিল। শ্বেতাংগ মানুহ আৰু কৃষ্ণাংগ মানুহৰ মাজত সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি সকলো ক্ষেত্ৰতে বৈষম্য আছিল। শ্বেতাংগ মানুহবোৰে কৃষ্ণাংগ মানুহবোৰক শোষণ কৰিছিল। মাৰ্টিন লুথাৰো এই শোষণ-নিষ্পেষণৰ বলি হ'বলগা হৈছিল। সেইবাবে তেওঁ সৰুৰেপৰা এই বৰ্ণবৈষম্য নীতিৰ বিৰোধিতা কৰি আহিছিল। পিছলৈ এই বৈষম্য নিৰ্মূলৰ বাবে তেওঁ বহু অহিংস আন্দোলনৰ গুৰি ধৰিছিল। সেই আন্দোলনসমূহ হ'ল—আলবেনি মুভমেণ্ট (Albany Movement), বাৰ্মিংহাম কেম্পেইন (Birmingham Campaign), আগষ্টাইন মুভমেণ্ট (Augustine Movement), মাৰ্চ অন ৱাছিংটন ফ'ৰ জবছ এণ্ড ফ্ৰীডম (March on Washington for Jobs and Freedom), ছেলমা ভোটিং ৰাইট্‌ছ মুভমেণ্ট (Selma Voting Rights Movement), চিকাগ' অ'পেন হাউছিং মুভমেণ্ট (Chicago Open Housing Movement), প'ৰ পিপলছ কেম্পেইন (Poor People's Campain) ইত্যাদি। এই আন্দোলনসমূহৰ ফলস্বৰূপেই আমেৰিকাত কৃষ্ণাংগ মানুহৰ স্বাধীনতাৰ দুৱাৰ মুকলি হৈছিল। মাৰ্টিন লুথাৰৰ প্ৰচেষ্টাতে আমেৰিকাত দুখন যুগান্তকাৰী আইন—১৯৬৪ চনৰ 'আমেৰিকাৰ নাগৰিক অধিকাৰ আইন' আৰু ১৯৬৫ চনৰ 'ভোটাধিকাৰ আইন' বলবৎ হৈছিল। এনে পদক্ষেপৰ বাবে ১৯৬৪ চনত তেওঁক শান্তিৰ ন'বেল বঁটাও প্ৰদান কৰা হৈছিল। শেষলৈ তেওঁ কিছুসংখ্যক আফ্ৰিকান-আমেৰিকান নাগৰিক আন্দোলনৰ নেতাৰ ষড়যন্ত্ৰৰ বলি হৈছিল আৰু তেওঁক ১৯৬৮ চনৰ ৪ এপ্ৰিলত কোনো অজ্ঞাত আততায়ীয়ে গুলীয়াই হত্যা কৰিছিল।

এইগৰাকী মানৱতাবাদী সংগ্ৰামী নেতাৰ আপ্ৰাণ চেষ্টাতে আজি আমেৰিকা এখন প্ৰায় বৰ্ণবৈষম্যহীন দেশ হিচাপে পৰিগণিত হৈছে। ◎

# কেইখনমান গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় অস্ত্ৰ নিয়ন্ত্ৰণ চুক্তি

■ ৰুণিমা শৰ্মা

*যুদ্ধক্ষেত্ৰত যিকোনো অস্ত্ৰ প্ৰয়োগৰ ফল অতি ভয়াবহ আৰু ধ্বংসাত্মক। কোনো ঠাইত পাৰমাণৱিক অস্ত্ৰ প্ৰয়োগ কৰিলে সেই ঠাইৰ বাসিন্দা আৰু পৰিৱেশৰ ওপৰত তাৰ কুপ্ৰভাৱ কেইবা বছৰ নহয়, কেইবা দশক জুৰি থাকে। হিৰ'চিমা আৰু নাগাছাকি তাৰ এক জ্বলন্ত উদাহৰণ। গোটেই পৃথিৱীখন ধ্বংস কৰিবলৈ মাত্ৰ এমুঠিমান পাৰমাণৱিক অস্ত্ৰই যথেষ্ট। পৃথিৱীখনক এনে ভয়াবহ পৰিস্থিতিৰপৰা ৰক্ষা কৰিবলৈ বিভিন্ন ৰাষ্ট্ৰই কেতবোৰ গুৰুত্বপূৰ্ণ চুক্তিত স্বাক্ষৰ প্ৰদান কৰিছিল। এই চুক্তিসমূহৰ জৰিয়তে দেশসমূহৰ লগত মজুত থকা অস্ত্ৰ-শস্ত্ৰ হ্ৰাস কৰি পাৰমাণৱিক পৰীক্ষা বন্ধ কৰাৰ ক্ষেত্ৰত কেতবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। এই চুক্তিসমূহৰ ভিতৰৰ গুৰুত্বপূৰ্ণ কেইখনমান চুক্তি তলত উল্লেখ কৰা হ'ল।*

**(ক) সীমিত পৰীক্ষণ নিষিদ্ধ চুক্তি** (Limited Test Ban Treaty–LTBT) : ১৯৬৩ চনৰ ৫ আগষ্ট তাৰিখে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত যুদ্ধৰ পৰিৱেশ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্য বিশ্বৰ তিনি মহাশক্তি মাৰ্কিন যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন আৰু ছোভিয়েট সংঘৰ মাজত এই চুক্তিখন মস্কোত স্বাক্ষৰিত হৈছিল। একেটা চনৰে ১০ অক্টোবৰ তাৰিখে এই চুক্তিখন বলবৎ কৰা হয়। এই চুক্তিখনৰ মূল উদ্দেশ্য আছিল বায়ুমণ্ডল, ভূখণ্ড তথা জলপৃষ্ঠত পাৰমাণৱিক অস্ত্ৰৰ পৰীক্ষণ বন্ধ কৰা।

**(খ) পাৰমাণৱিক নি-সম্প্ৰসাৰণ চুক্তি** (Nuclear Non Proliferation Treaty–NPT) : ১৯৬৮ চনৰ ১৩ জুন তাৰিখে ৰাষ্ট্ৰসংঘৰ গৰিষ্ঠসংখ্যক সদস্যই এই চুক্তিখন উত্থাপন কৰে। ১৯৬৮ চনৰ ১ জুলাই তাৰিখে মস্কো, ৱাশ্বিংটন আৰু লণ্ডনত এই চুক্তিখনত স্বাক্ষৰিত হয়। এই চুক্তিৰ লক্ষ্য আছিল ১ জানুৱাৰি ১৯৬৭ চনলৈকে পাৰমাণৱিক অস্ত্ৰ হাতত থকা দেশসমূহক অন্য কোনো ৰাষ্ট্ৰৰপৰা পাৰমাণৱিক অস্ত্ৰ আহৰণৰ পৰা বিৰত ৰখা। কিন্তু এই চুক্তিখনক বৈষম্যমূলক আখ্যা দি ভাৰতবৰ্ষই ইয়াত স্বাক্ষৰ প্ৰদানৰপৰা বিৰত আছিল।

**(গ) কৌশলগত অস্ত্ৰ সীমিতকৰণ চুক্তি** (Strategic Arms Limitation Treaty–SALT) : বিশ্বৰ দুই মহাশক্তি মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট সংঘই ১৯৬৪ চনত এক দ্বিপাক্ষিক আলোচনাৰ জৰিয়তে আটাইতকৈ ধ্বংসাত্মক আৰু শক্তিশালী অস্ত্ৰসমূহ সীমিতকৰণ কৰাৰ উদ্দেশ্যে এই চুক্তিখন স্বাক্ষৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ফিনলেণ্ডৰ হেলছিংকিত ১৯৬৯ চনৰ নৱেম্বৰ মাহত এই বিষয়ে আলোচনা আৰম্ভ হয় আৰু এনে আলোচনাৰ ফলশ্ৰুতিতেই মাৰ্কিন ৰাষ্ট্ৰপতি নিক্সনৰ ছোভিয়েট সংঘ ভ্ৰমণকালত ১৯৭২ চনৰ ২৬ মে' তাৰিখে এই ঐতিহাসিক চুক্তিখন স্বাক্ষৰিত হয়।


**(ঘ) কৌশলগত অস্ত্ৰ হ্ৰাসকৰণ চুক্তি** (Strategic Arms Reduction Treaty–START) : ১৯৯১ চনৰ ৩১ জুলাই তাৰিখে মস্কোত ছোভিয়েট সংঘৰ ৰাষ্ট্ৰপতি মিখাইল গৰ্বাচেভ আৰু মাৰ্কিন ৰাষ্ট্ৰপতি জৰ্জ বুশ্বৰ মাজত ঐতিহাসিক কৌশলগত অস্ত্ৰ হ্ৰাসকৰণ আৰু সীমিতকৰণ চুক্তিখন স্বাক্ষৰিত হয়। এই চুক্তিত দেশ দুখনে ধ্বংসাত্মক আৰু শক্তিশালী অস্ত্ৰসমূহৰ উৎপাদন হ্ৰাস আৰু ব্যৱহাৰ সীমিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

আনহাতে ছোভিয়েট সংঘৰ পতনৰ পিছতো ১৯৯৩ চনৰ ৩ জানুৱাৰি তাৰিখে ৰাছিয়াৰ ৰাষ্ট্ৰপতি বৰিছ য়েল্টচিন আৰু মাৰ্কিন ৰাষ্ট্ৰপতি জৰ্জ বুশ্বৰ মাজত একে উদ্দেশ্যে দ্বিতীয়খন অস্ত্ৰ হ্ৰাসকৰণ চুক্তি স্বাক্ষৰিত হয়। ◎

■ মিতালী ঠাকুৰীয়া

## ছুয়েজ খাল

ফাৰ্ডিনাণ্ড ডি লেছেপ্‌ছ্ নামৰ এজন ফৰাচী লোকে ১৮৫৯ চনত ভূমধ্য সাগৰ আৰু লোহিত সাগৰ লগ





লগাবলৈ ছুয়েজ যোজক (যোজক মানে অতি ঠেক মাটিভাগ; যিয়ে দুটুকুৰা ডাঙৰ মাটিভাগক লগ লগায়।) অংশটোক খান্দিবলৈ আৰম্ভ কৰে। ১৮৬৯ চনত এই খাল খন্দাৰ কাম শেষ হয়। এই খালে এছিয়া আৰু আফ্ৰিকা মহাদেশৰ ভূমিখণ্ডক পৃথক কৰিছে। খালটো প্ৰায় ১৬২ কিল'মিটাৰ দীঘল, ৫৯ মিটাৰ বহল আৰু ১০ মিটাৰ দ। খালটো পাৰ হওঁতে এখন জাহাজৰ ১০ ঘণ্টা সময় লাগে। ইয়াৰ মাজেৰে দিনে প্ৰায় ১০০ খন জাহাজ অহা-যোৱা কৰিব পাৰে। ইয়াৰ উত্তৰ মূৰত প'ৰ্ট ছৈয়দ আৰু দক্ষিণমূৰত ছুয়েজ বন্দৰ অৱস্থিত।

ছুয়েজ খালৰ বাবে লণ্ডন আৰু মুম্বাইৰ মাজৰ দূৰত্ব (অন্তৰীপ পথৰ তুলনাত) ৭০০০ কিমি., কলিকতা আৰু লণ্ডনৰ মাজৰ দূৰত্ব ৫০০০ কিমি., ছিঙ্গাপুৰ আৰু লণ্ডনৰ মাজৰ দূৰত্ব ৫৩০০ কিমি. কমি গৈছে। এই পথটো এহাতে ইউৰোপ আৰু উত্তৰ আমেৰিকা, আনহাতে এছিয়া আৰু পূব আফ্ৰিকাৰ মাজৰ যাতায়াত বা পৰিবহনৰ বাবে অতি তাৎপৰ্যপূৰ্ণ। এই পথেদিয়েই পশ্চিম এছিয়াৰ পেট্ৰ'লিয়াম ইউৰোপ আৰু আমেৰিকালৈ যায় আৰু ইউৰোপৰপৰা যন্ত্ৰপাতি আৰু বস্ত্ৰ আদি শিল্পজ দ্ৰব্য এছিয়ালৈ আহে। গতিকে ছুয়েজ খালে আন্তৰ্জাতিক বাণিজ্যৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাই আহিছে।

## পানামা খাল

১৯১৪ চনত পানামা খাল খান্দি শেষ কৰা হয়। ই আটলাণ্টিক আৰু প্ৰশান্ত মহাসাগৰক লগ লগাইছে। এই খাল ৬৫ কিল'মিটাৰ দীঘল, ১২ মিটাৰ দ আৰু ৩০-৯০ কিল'মিটাৰ বহল। সমুদ্ৰপৃষ্ঠৰপৰা ঠায়ে ঠায়ে ই ২৫৫ মিটাৰ ওখত অৱস্থিত। পানামা খালটো ৰ'কি আৰু এণ্ডিজ পাৰ্বত্য অঞ্চলৰ মাজেৰে খান্দি উলিওৱা হৈছে। সেয়ে এই খালত বহুতো ওখোৰা-মোখোৰা বাম অঞ্চল আছে। যাৰ বাবে জাহাজবোৰ পাৰ হ'বলৈ মাজে মাজে ৰছী লগাই পাৰৰ যন্ত্ৰেৰে টানি নিয়া হয়। খালটো পাৰ হ'বলৈ প্ৰায় ৮ ঘণ্টা সময় লাগে। এই খালৰ আটলাণ্টিকৰ ফালে আছে ক'ল'ন বন্দৰ আৰু প্ৰশান্ত




মহাসাগৰৰ ফালে আছে পানামা বন্দৰ। পানামা খালৰ বাবে উত্তৰ আমেৰিকাৰ পূব আৰু পশ্চিম উপকূলৰ নৌ-পথ বহুতো চমু হৈ পৰিছে। নিউইয়ৰ্ক আৰু ছানফ্ৰান্সিছ্‌ৰ্ক'ৰ মাজৰ দূৰত্ব এই পথৰ বাবে ১২,৬৪০ কিল'মিটাৰ কমি গৈছে। এই খালে উত্তৰ আমেৰিকা বা মধ্য আমেৰিকাৰ দুয়োটা উপকূলৰ বন্দৰবোৰক সংযোগ কৰাৰ উপৰি এহাতে ইউৰোপ আৰু উত্তৰ আমেৰিকাৰ পূব উপকূল আৰু আনহাতে ওছেনিয়াক সংযোগ কৰিছে। এই অঞ্চলবোৰৰ মাজত এই পথেৰে বাণিজ্য চলে। ◎

# বাণ থিয়েটাৰ

■ সুদীপ্তা চৌধুৰী



অসমৰ কলা আৰু সংস্কৃতিৰ এক ঐতিহ্যমণ্ডিত অনুষ্ঠান হৈছে বাণ থিয়েটাৰ। এই ৰঙ্গমঞ্চ প্ৰথমে তেজপুৰৰ কলিবাৰীত ১৯০৬ চনত স্থাপন কৰা হৈছিল। এই থিয়েটাৰৰ মঞ্চতেই সাহিত্যাচাৰ্য লক্ষীৰাম বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মা, ড° ভূপেন হাজৰিকা, পদ্মনাথ গোহাঞিবৰুৱা প্ৰমুখ্যে অনেক কলা-কুশলীয়ে সাংস্কৃতিক সাধনা কৰিছিল। ১৯০৬ চনত 'কৰ্ণ বধ' ভাওনাৰে এই মঞ্চৰ শুভাৰম্ভ হয়। পৰৱৰ্তী কালত ১৯০৭ চনত পদ্মনাথ গোহাঞিবৰুৱাই লিখা 'বাণৰজা' নাটকেৰে বাণ থিয়েটাৰত নাট্য নিবেদনৰো পৰম্পৰা আৰম্ভ হয়। সেই সময়ত বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদকৰ পদ অলংকৃত কৰিছিল পদ্মনাথ গোহাঞিবৰুৱাই। প্ৰথমাৱস্থাত সমিতিৰ কাম-কাজবোৰ আৰম্ভ কৰিবলৈ অস্থায়ীভাৱে এখন সমিতি গঠন কৰি নিয়মাৱলী প্ৰস্তুত কৰা হৈছিল। পিছলৈ এই সমিতিৰ কিছু সালসলনি ঘটাই পদ্মনাথ গোহাঞিবৰুৱাক বাণ থিয়েটাৰ জেনেৰেল (সম্পাদক), কীৰ্তিনাথ বৰদলৈক মোচন মাষ্টাৰ (নাট পৰিচালক), লক্ষীৰাম বৰুৱাক মিউজিক মাষ্টাৰ (সংগীত পৰিচালক), তাৰিণীচৰণ ভট্টাচাৰ্যক ষ্টেজ মেনেজাৰৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। তেজপুৰৰ কলিবাৰীত উত্তৰা-দক্ষিণাকে থকা বাণ থিয়েটাৰৰ প্ৰেক্ষাগৃহটো এশ ফুট দীঘল আৰু চল্লিছ ফুট বহল আছিল। প্ৰেক্ষাগৃহটোৰ শেষভাগত আছিল মহিলা গেলাৰী। দূৰ-দূৰণিৰপৰা ম'হৰগাড়ী, গৰুগাড়ী আদিৰে দৰ্শক আহি বাণ থিয়েটাৰৰ চৌহদ ভিৰ কৰিছিলহি। ৰাতি আঠ বজাৰ লগে লগেই মঞ্চত পিতলৰ কাঁহীত জোৰেৰে ঘণ্টা বজোৱা হৈছিল আৰু এই ঘণ্টাধ্বনিৰ লগে লগে অভিনেতাসকল হাজিৰ হৈ মেক-আপ কৰিছিল। এই মঞ্চত প্ৰথমতে পাঁচ অংকীয়া দীঘল নাটসমূহে মঞ্চস্থ কৰা হৈছিল। নাটকবোৰ নিশা দহ বজাৰপৰা আৰম্ভ হৈছিল যদিও পূজাৰ বাহিৰে আন উৎসৱসসমূহত দহ বজাৰ পৰিৱৰ্তে সন্ধিয়া ছয় বজাৰপৰাই আৰম্ভ কৰা হৈছিল। অসমৰ প্ৰায়বোৰ নগৰতে সেই সময়ত বিজুলীবাতিৰ ব্যৱস্থা নাছিল। সেয়ে নাটকবোৰ দীঘলীয়া কৰি লিখা হৈছিল যাতে পুৱতি নিশাহে নাটক শেষ হয় আৰু দৰ্শকসকলে বেলিৰ পোহৰত ঘৰলৈ সুকলমে ঘূৰি যাব পাৰে। বিংশ শতিকাৰ চল্লিছৰ দশকত বাণ থিয়েটাৰৰ আমূল পৰিবৰ্তন ঘটিল। আগৰ সেই পাঁচ অংকীয়া নাটকৰ পৰিৱৰ্তে মঞ্চস্থ হ'বলৈ ধৰিলে গহীন সামাজিক নাটক। ১৯৫৩ চনত হোৱা ঘূৰ্ণী বতাহৰ ফলত বাণ থিয়েটাৰৰ বিস্তৰ ক্ষতি সাধন হয়। ইয়াৰ পিছলৈ মেৰামতি কৰা হয় যদিও পূৰ্বৰ সৌন্দৰ্য ম্লান পৰে। ১৯৫৬ চনত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ দান-বৰঙণিৰে নতুন মঞ্চ নিৰ্মাণৰ কাম আৰম্ভ কৰা হয়। ১৯৬৮ চনলৈ এনেদৰে অস্থায়ী মঞ্চতেই নাটক মঞ্চস্থ হৈ আছিল। সেই বছৰৰে কোনোবা এটা নিশা নগাঁৰৰ ৰাম ভট্টাচাৰ্যৰ নাটক 'ওপৰ মহলা'ৰ শেষ দৃশ্য চলি থকা সময়তে হঠাৎ অহা ধুমুহা-বৰষুণৰ ফলত বহুতো কলা-কুশলী আঘাতপ্ৰাপ্ত হয়। এই ঘটনাত ফণী শৰ্মা আবেগিক হৈ অস্থায়ী মঞ্চ ভাঙি নতুন মঞ্চ নিৰ্মাণৰ বাবে আহ্বান জনায়। ইয়াৰ ফলশ্ৰুতিত ৰাইজৰ দান-বৰঙণিৰে বাণ থিয়েটাৰক নতুন ৰূপত সজাই তোলা হয়। ◎

# ভাৰতৰ দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা

■ অপৰ্ণা দেৱী

আমাৰ দেশত ১৯৫১ চনৰপৰা আৰম্ভ হোৱা পঞ্চবাৰ্ষিক পৰিকল্পনাৰ বৰ্তমান দ্বাদশ পৰিকল্পনা চলি আছে। সেই পৰিকল্পনা ২০১২-১৩ চনৰপৰা ২০১৬-১৭ চনলৈ চলিব। ১৯৫০ চনত ভাৰতৰ পৰিকল্পনা আয়োগ গঠন হৈছিল। সেই আয়োগে প্ৰত্যেকখন পৰিকল্পনাৰ নিৰ্ধাৰিত সময়ৰ আগে আগে এখনি খচৰা প্ৰস্তুত কৰে। ২০১১ চনৰ ২২ এপ্ৰিল তাৰিখে সেই সময়ৰ প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ অধ্যক্ষতাত, উপাধ্যক্ষ ড° মণ্টেক সিং আহলুৱালিয়াই আগবঢ়োৱা Issues for approach to the twelfth five year plan সম্পৰ্কত আলোচনা চলিছিল। সেই সভাত দ্বাদশ পৰিকল্পনাৰ প্ৰাৰম্ভিক খচৰা প্ৰস্তুত হৈছিল।

পৰিকল্পনা আয়োগৰ সেই সভাত দেশৰ অৰ্থনৈতিক সংস্কাৰৰ গতি ত্বৰান্বিত কৰাৰ বিষয়ে গুৰুত্ব প্ৰদানৰ কথা আলোচিত হৈছিল। দেশৰ অৰ্থনীতিত ৯.০ ৰপৰা ৯.৫ শতাংশ বিকাশৰ হাৰ অৰ্জনৰ ওপৰত গুৰুত্ব দিছিল। বিদেশী বিনিয়োগৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছিল। মুঠতে দ্বাদশ পৰিকল্পনাৰ প্ৰাৰম্ভিক পত্ৰত দেশৰ অৰ্থনৈতিক বিকাশ অধিক দ্ৰুতগতিত অৰ্জন কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। দেশৰ অৰ্থনৈতিক বিকাশ লাভ কৰাটোৱেই দ্বাদশ পৰিকল্পনাৰ মৌলিক উদ্দেশ্য যদিও আন কেতবোৰ অতি গুৰুত্বপূৰ্ণ উদ্দেশ্য আগত ৰাখি দ্বাদশ পৰিকল্পনাৰ আৰম্ভণি ঘটিছে। উদাহৰণ স্বৰূপে, আমাৰ দেশে কিছুমান খণ্ডভিত্তিক প্ৰত্যাহ্বানৰ (sector wise challenges) সন্মুখীন হৈছে। শক্তি, পানী আৰু পৰিবেশৰ ক্ষেত্ৰত উদ্ভৱ হোৱা প্ৰত্যাহ্বানসমূহ সমাধান কৰাৰ বাবে প্ৰচেষ্টা হাতত লৈছে। ঠিক তেনেদৰে আমাৰ কৃষিপ্ৰধান দেশখনৰ কৃষিখণ্ডৰ কাৰ্যক্ষমতা উন্নীতকৰণ, দেশত অধিক কৰ্মসংস্থানৰ ব্যৱস্থাকৰণ, স্বাস্থ্য আৰু শিক্ষাৰ উন্নয়নৰ লগতে দক্ষতা উন্নয়নৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা দেখা গৈছে। আমাৰ দেশৰ দৰিদ্ৰ লোকসকলৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহৰ সঠিক ৰূপায়ণৰ চেষ্টাৰ লগতে সামাজিকভাৱে পিছপৰা শ্ৰেণীৰ বাবে বিশেষ আঁচনি গ্ৰহণো দ্বাদশ পৰিকল্পনাৰ উদ্দেশ্যসমূহৰ ভিতৰত অন্যতম। দেশৰ পিছপৰা আৰু অসুবিধাজনক অঞ্চলসমূহৰ বাবে বিশেষ পৰিকল্পনা গ্ৰহণৰ উদ্দেশ্য আমাৰ বাবে এক আশাপ্ৰদ বতৰা।

দ্বাদশ পৰিকল্পনাৰ সময়ছোৱাত কৃষিখণ্ডৰ উন্নয়নৰ লগতে গ্ৰাম্য উন্নয়নৰ ওপৰতো অধিক গুৰুত্ব আৰোপ কৰিছে। দ্বাদশ পৰিকল্পনাৰ খচৰাত ৰাজ্যবোৰত বিশেষ ঔদ্যোগিক অঞ্চল গঠন কৰি উপযুক্ত যোগাযোগ ব্যৱস্থা আৰু আন্তঃগাঁথনিমূলক ব্যৱস্থা গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে।

পৰিকল্পনা আয়োগে দ্বাদশ পৰিকল্পনাৰ উপস্থাপনত শিক্ষাৰ গুণগত মান উন্নত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰিছে। দ্বাদশ পৰিকল্পনাই সকলো পিছপৰা গোষ্ঠীক স্বাস্থ্য বীমাৰ অধীনলৈ অনাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। বিভিন্ন দিশত পিছপৰা আৰু দুৰ্গম অঞ্চলবোৰৰ যোগাযোগ ব্যৱস্থা উন্নত কৰাটো অতি প্ৰয়োজন। তাৰ বাবে আন্তঃগাঁথনি ব্যৱস্থাৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।


দ্বাদশ পৰিকল্পনাৰ সময়ছোৱাতে পৰিকল্পনা আয়োগৰ নতুন নাম 'নিটি আয়োগ' হ'ল। দ্বাদশ পৰিকল্পনাৰ সফল সমাপ্তি আৰু ৰূপায়ণে আমাৰ দেশখনক নিশ্চয় অধিক উন্নত কৰি তুলিব। ◎

# মানসিক সামৰ্থ্য বিকাশ


■ ৰবীন্দ্ৰ বৰ্মন

**নিৰ্দেশনা :**


প্ৰতিটো প্ৰশ্নতে কিছুমান নিয়মৰ ওপৰত ভিত্তি কৰি কিছুমান সংখ্যা চিত্ৰৰ সৈতে দিয়া আছে। তাৰে এটা স্থান খালী আছে আৰু তাত '?' চিন দিয়া হৈছে। '?' চিনৰ ঠাইত বিকল্প উত্তৰবোৰৰপৰা কোনটো সংখ্যা বহিব নিৰ্ণয় কৰা।

1. 



a) 76 b) 81 c) 72 d) 91

2. 


a) 200 b) 100 c) 400 d) 33

3. 


a) 6 b) 3 c) 8 d) 2

4. 


a) 25 b) 16 c) 100 d) 49

5. 


a) 7 b) 6 c) 16 d) 9

6. 


a) 90 b) 100 c) 80 d) 63

7.

| 4 | 63 |
|---|---|

| 5 | 124 |
|---|---|

| 7 | 342 |
|---|---|

| ? | 215 |
|---|---|

a) 3 b) 8 c) 10 d) 6

## উত্তৰসমূহ

1. উত্তৰ :
প্ৰথমটো চিত্ৰত $30 \div 5 = 6$
আৰু $6^2 = 36$
দ্বিতীয়টো চিত্ৰত $49 \div 7 = 7$
আৰু $7^2 = 49$
গতিকে, তৃতীয়টো চিত্ৰত $72 \div 8 = 9$
আৰু $9^2 = 81$
$\therefore$ '?' চিনৰ ঠাইত 81 বহিব।

2. উত্তৰ :
দ্বিতীয় চিত্ৰত $10 \times 12 = 120$
তৃতীয় চিত্ৰত $50 \times 30 = 1500$
গতিকে, প্ৰথম চিত্ৰত $25 \times 8 = 200$
$\therefore$ '?' চিনৰ ঠাইত 200 বহিব।

3. উত্তৰ : প্ৰথম চিত্ৰত $4 \times 3 = 12$
$12 \div 2 = 6$
$6^2 = 36$
তৃতীয় চিত্ৰত $5 \times 6 = 30$
$30 \div 6 = 5$
$5^2 = 25$
দ্বিতীয় চিত্ৰত $3 \times 8 = 24$
$24 \div 2 = 12$
$12^2 = 144$
$\therefore$ '?' চিনৰ ঠাইত 2 বহিব।

4. উত্তৰ : প্ৰথম চিত্ৰত $5 \times 6 = 30$
$30 \div 2 = 15$
$15^2 = 225$
দ্বিতীয় চিত্ৰত $10 \times 3 = 30$
$30 \div 5 = 6$
$6^2 = 36$
তৃতীয় চিত্ৰত $8 \times 9 = 72$
$72 \div 18 = 4$
$4^2 = 16$
$\therefore$ '?' চিনৰ ঠাইত 16 বহিব।

5. উত্তৰ : প্ৰথম চিত্ৰত $4^3 + 10 = 74$
দ্বিতীয় চিত্ৰত $5^3 + 10 = 135$
চতুৰ্থ চিত্ৰত $10^3 + 10 = 1010$
তৃতীয় চিত্ৰত $6^3 + 10 = 226$
$\therefore$ '?' চিনৰ ঠাইত 6 বহিব।

6. উত্তৰ : প্ৰথম চিত্ৰত $5^2 + 5 = 30$
দ্বিতীয় চিত্ৰত $4^2 + 4 = 20$
তৃতীয় চিত্ৰত $7^2 + 7 = 56$
চতুৰ্থ চিত্ৰত $9^2 + 9 = 90$
$\therefore$ '?' চিনৰ ঠাইত 90 বহিব।


7. উত্তৰ :
প্ৰথম চিত্ৰত $4^3 - 1 = 64 - 1 = 63$
দ্বিতীয় চিত্ৰত $5^3 - 1 = 125 - 1 = 124$
তৃতীয় চিত্ৰত $7^3 - 1 = 343 - 1 = 342$
চতুৰ্থ চিত্ৰত $6^3 - 1 = 216 - 1 = 215$
$\therefore$ '?' চিনৰ ঠাইত 6 বহিব। ◎

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (ডিছেম্বৰ)

১। জেমছ আগষ্টাচ হিকি ২। বিক্ৰম শেঠ ৩। ক্ৰিকেট ৪। ৰাখাল দাস বেনাৰ্জী ৫। সূৰ্য

# ড° মহেশ্বৰ নেওগ

■ প্ৰাঞ্জল তালুকদাৰ



ড° মহেশ্বৰ নেওগ (১৯১৫-১৯৯৫) কুৰি শতিকাৰ অসমৰ বৌদ্ধিক জগতৰ অন্যতম পুৰোধা পণ্ডিত। তেওঁৰ অৱদানে ঘাইকৈ অসমীয়া সমালোচনা সাহিত্যক সমৃদ্ধ কৰিছে। শিৱসাগৰ জিলাৰ কমাৰফদীয়াৰ এক মধ্যবিত্ত কৃষক পৰিয়ালত জন্মগ্ৰহণ কৰা ড° নেওগে আঢ়ৈ কুৰি বছৰ একেৰাহে অসমীয়া সাহিত্য-সংস্কৃতি-কলাৰ ঐকান্তিক সাধনা কৰিছিল। ভাষা-সাহিত্য-সংস্কৃতি-কলা সকলো দিশৰ অধ্যয়ন আৰু গৱেষণাৰে তেওঁ জাতীয় জীৱনক সমৃদ্ধিশালী কৰি থৈ গৈছে। ড° নেওগৰ গৱেষণা গ্ৰন্থখন হ'ল 'Sankardeva and His Times : The New-Vaishnava Faith and Movement in Assam'। ১৯৬৫ চনত প্ৰকাশিত এই গ্ৰন্থত তেওঁৰ শংকৰদেৱ চৰ্চাই বিজ্ঞানসন্মত ৰূপ পৰিগ্ৰহ কৰিছে। অসমৰ ভক্তি আন্দোলনৰ বিষয়ে তেখেতৰ যি জ্ঞানগৰ্ভ লেখা আৰু বিজ্ঞানসন্মত দৃষ্টিভংগী সেয়া সঁচাকৈ অবিস্মৰণীয়। ড° মহেশ্বৰ নেওগে বহুতো পাণ্ডিত্যপূৰ্ণ গ্ৰন্থেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। 'শ্ৰীশ্ৰীশংকৰদেৱ', 'পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি', 'সত্ৰীয়া নৃত্য আৰু নৃত্যৰ তাল', 'অসমীয়া গীতি সাহিত্য', 'অসমীয়া সাহিত্যৰ ৰূপৰেখা', 'স্বৰৰেখাত বৰগীত', 'আধুনিক অসমীয়া সাহিত্য' আদি গ্ৰন্থই তেখেতৰ বিদগ্ধ মেধা আৰু সুতীক্ষ্ণ পৰ্যবেক্ষণৰ পৰিচয় দিয়ে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক হিচাপে কৰ্মৰত হৈ তেওঁ অসমীয়া সাহিত্য-সংস্কৃতিৰ একাণপতীয়া সাধনাত নিমগ্ন হয়। 'পাঠ সমীক্ষা' গ্ৰন্থৰ মাজেৰে তেখেতে পাঠ সমীক্ষা (Textual criticism) বিষয়টোৰ বিজ্ঞানসন্মত আলচ কৰিছে। সৃষ্টিশীল সাহিত্যৰ ক্ষেত্ৰতো তেখেতে গল্প, নাটক, কবিতা আদি লিখি পাণ্ডিত্যৰ লগতে সংবেদনশীলতাৰ নিবিড় সম্পৰ্ক দেখুৱাইছে। ড° নগেন শইকীয়াই স্থানান্তৰত কৈছে যে—

"ড° নেওগৰ বিচৰণৰ ক্ষেত্ৰখন বৰ বহল। পুৰণি শিলালিপি-তাম্ৰলিপিৰ পৰা আধুনিক কবিতালৈকে, শাস্ত্ৰীয় নৃত্য-গীতৰপৰা লোক শিল্পলৈকে, প্ৰাগৈতিহাসিক ভাস্কৰ্য-স্থাপত্যৰপৰা আধুনিক চিত্ৰ শৈলীলৈকে, ভাষাতত্ত্বৰপৰা নৃতত্ত্বলৈকে, প্ৰাচ্যতত্ত্বৰপৰা আধুনিক নন্দনতত্ত্বলৈকে, ইতিহাসৰপৰা দৰ্শন আৰু ধৰ্মলৈকে—এই সকলোতে ড° নেওগৰ বিচৰণ অনায়াস আৰু স্বাভাৱিক।"

'জীৱনৰ দীঘ আৰু বাণি' নামৰ আত্মজীৱনীখনতো ড° নেওগৰ জীৱনবোধৰ অনুপম স্বাক্ষৰ বিচাৰি পোৱা যায়। গ্ৰন্থখনৰ উপ-শিৰোনামবোৰো আকৰ্ষণীয়। উদাহৰণ স্বৰূপে 'ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ', 'লুকাই আছা দেখা নেদা মণিকূটৰ ভিতৰে', 'নিৰলাৰপৰা ৰামগিৰিলৈ' আদিৰ কথা ক'ব পাৰি।

ড° মহেশ্বৰ নেওগৰ ব্যক্তিত্বৰ বিশালতা আৰু পাণ্ডিত্যৰ গভীৰতাইও তেওঁক অসমীয়া সাহিত্যৰ পুৰোধা ব্যক্তিৰূপে প্ৰতিষ্ঠা কৰিছে। বিচক্ষণ চিন্তা, বিষয়ৰ গভীৰ আৰু অনুভৱী বিশ্লেষণ, ভাষাৰ দখল আৰু নিৰপেক্ষ দৃষ্টিভংগীৰে তেওঁ অসমীয়া সাহিত্যক ন-সাজেৰে ন-ৰূপেৰে জাতিষ্কাৰ কৰি তুলিছে। ◎

*ড° নেওগৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি এই লেখাটো প্ৰস্তুত কৰা হৈছে।*

## বিশ্বকাপ ক্ৰিকেটৰ বাবে ঘোষিত ভাৰতীয় ক্ৰিকেট দল

অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডত ১৪ ফেব্ৰুৱাৰিৰপৰা ২৯ মাৰ্চলৈ অনুষ্ঠিতব্য বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ভাৰতীয় দলটো ঘোষণা কৰা হৈছে। অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ উইকেটৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচকসকলে চাৰিজন বিশেষজ্ঞ বলাৰক দলত ৰখাৰ সিদ্ধান্ত লৈছে। বিশ্বকাপ ক্ৰিকেটৰ বাবে ঘোষিত ভাৰতীয় দলটো হ'ল—মহেন্দ্ৰ সিং ধোনি (অধিনায়ক), শিখৰ ধৱন, ৰোহিত শৰ্মা, অজিংক্য ৰাহানে, বিৰাট কোহলি, সুৰেশ ৰাঈনা, অম্বাতি ৰাইডু, ৰবীন্দ্ৰ জাদেজা, ৰবিচন্দ্ৰন অশ্বিন, অক্ষৰ পেটেল, ভুবনেশ্বৰ কুমাৰ, মহম্মদ ছামি, ঈশান্ত শৰ্মা, ষ্টুৱাৰ্ট বিন্নী, ধৱল কুলকাৰ্ণী, মোহিত শৰ্মা আৰু উমেশ যাদৱ।

## ৰ'নাল্ডোলৈ বেল'ন ডি অ'ৰ পুৰস্কাৰ





পতুৰ্গাল আৰু ৰিয়েল মাদ্ৰিদৰ তাৰকা ফুটবলাৰ ক্ৰিষ্টিয়ানা ৰ'নাল্ডোৱে তৃতীয়বাৰৰ বাবে ফিফাৰ বৰ্ষশ্ৰেষ্ঠ ফুটবলাৰৰ বেল'ন ডি অ'ৰ সন্মান লাভ কৰিছে। এই ক্ষেত্ৰত তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী আছিল আৰ্জেণ্টিনাৰ ফুটবলাৰ লিঅ'নেল মেছি। ৰিয়েল মাদ্ৰিদৰ দশম চেম্পিয়নছ লীগ ট্ৰফী শৃংখলাত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা ২৯ বছৰীয়া ফৰৱাৰ্ড ৰ'নাল্ডোৰ এই সাফল্যই তেওঁৰ অনুৰাগীক আনন্দিত কৰিছে।

## টেষ্ট ক্ৰিকেটৰপৰা ধোনীৰ অৱসৰ ঘোষণা

অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা অন্তিমখন টেষ্টৰ পাছতে টেষ্ট ক্ৰিকেটৰপৰা অৱসৰৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক মহেন্দ্ৰ সিং ধোনীয়ে। তেওঁৰ এই সিদ্ধান্তত প্ৰাক্তন ক্ৰিকেটাৰ আৰু ক্ৰিকেট বিশেষজ্ঞসকলে আশ্চৰ্য প্ৰকাশ কৰিছে। ৯০ খন টেষ্টত তেওঁ ৪,৮৭৬ ৰাণ সংগ্ৰহ কৰিছে। ৬টা শতক আৰু ৩৩টা অৰ্ধশতকেৰে তেওঁৰ গড় ৰাণ হৈছে ৩৮.০৯। টেষ্টত তেওঁৰ সৰ্বোচ্চ ৰাণ হৈছে ২২৪। টেষ্টৰপৰা অৱসৰ গ্ৰহণ কৰিলেও তেওঁ পূৰ্বৰ দৰেই টি-টুৱেণ্টি আৰু এদিনীয়া ক্ৰিকেট খেলিব।

## অনিৰ্বাণ লাহিড়ীৰ সাফল্য




এছিয়ান ট্যুৰত দৰ্শনীয় প্ৰদৰ্শনৰ বাবে অনিৰ্বাণ লাহিড়ীক ২০১৪ চনৰ বৰ্ষশ্ৰেষ্ঠ খেলুৱৈৰ বঁটা প্ৰদান কৰা হৈছে। এইগৰাকী ভাৰতীয় গল্‌ফাৰে এছিয়ান ট্যুৰত ২০১৪ত দুটা খিতাপ জয় কৰে। লগতে অৰ্ডাৰ অব মেৰিটত দ্বিতীয় স্থানত থাকে। তেওঁ বেনেছিয়ান মাৰ্কাড অ'পেনৰো খিতাপ জয় কৰাত সফল হয়।

## ৰ'জাৰ ফেডেৰাৰৰ ১০০০ সংখ্যক জয়

ছুইচ টেনিছ তাৰকা ৰ'জাৰ ফেডেৰাৰে কেৰিয়াৰৰ ১০০০ সংখ্যক জয়ৰ কৃতিত্ব অৰ্জন কৰিছে। ব্ৰীছবেন ইণ্টাৰ নেশ্যনেলৰ ফাইনেলত মিলছ ৰাউনিচক পৰাজিত



কৰি ফেডেৰাৰ এই অভিলেখৰ গৰাকী হয়। দুঘণ্টা তেৰ মিনিট সময় লৈ ৬-৪, ৬-৭ (২), ৬-৪ ব্যৱধানত কানাডাৰ ৰাউনিচক তেওঁ পৰাস্ত কৰে। সম্প্ৰতি কেৰিয়াৰৰ অধিক সংখ্যক খেলত জয়ী হোৱা জিমী কৰ্নছ (১২৫৩) আৰু ইভান লেণ্ডল (১০৭১)ৰ সৈতে ফেডেৰাৰ একে শাৰীতে অধিষ্ঠিত হৈছে। ◎

# টেম্‌ছ

■ পল্লৱী গোস্বামী

ইংলেণ্ডৰ প্ৰধান নদী হ'ল টেম্‌ছ (Thames)। এই নৈখন ইংলেণ্ডৰ দক্ষিণ দিশেৰে বৈ গৈছে। ইয়াৰ পাৰতেই লণ্ডন চহৰ অৱস্থিত। এইখন ইংলেণ্ডৰ দীৰ্ঘতম নৈ। নৈখনৰ উৎপত্তি স্থল হৈছে ক'ট্‌ছৱল্ড হিল (Cotswold Hill)। কোনো কোনোৱে টেম্‌ছ হেড (Thames Head) নামৰ এক জলাশয়ক ইয়াৰ উৎপত্তি স্থল বুলি কয়। নৈখনে অক্সফ'ৰ্ডশ্বায়াৰ (Oxfordshire), ৱাৰ্কশ্বায়াৰ (Berkshire), ৱাকিংহামশ্বায়াৰ (Bucking-hamskire) আৰু ছাৰে (Surrey) নামৰ ঠাইৰ মাজেৰে বৈ আহি লণ্ডন চহৰত প্ৰৱেশ কৰিছে। অক্সফ'ৰ্ড, ৰেডিং (Reading), মেইডেন হেড (Maiden head), উইণ্ডসৰ (Windsor), ইটন (Eton), লণ্ডন আদি চহৰবোৰৰ মাজেৰে ৩৪৬ কিল'মিটাৰ যাত্ৰা সম্পূৰ্ণ কৰি নৈখন উত্তৰ সাগৰত পৰিছে। নৈখনে প্ৰায় ৫৫০০ বৰ্গমাইল অববাহিকা সামৰি লৈছে । টেম্‌ছ হেড'ৰপৰা নদীখনৰ নাম টেম্‌ছ হোৱা বুলি প্ৰবাদ আছে। কেল্টিক ভাষাত 'তমস্' মানে ক'লা বা অন্ধকাৰময়। আকৌ সংস্কৃত ভাষাতো 'তমস্' শব্দই একেই অৰ্থ প্ৰকাশ কৰে। গতিকে কোনোৱে সংস্কৃতৰপৰা ইয়াৰ নামৰ উৎপত্তি হোৱা বুলি ক'ব খোজে। কাৰণ এই নদীৰ পানীৰ ৰং প্ৰায়ে ক'লা চানেকীয়া বা ধোঁৱাবৰণীয়া। আনহাতে ৰোমান ভাষাত টেম (Tam) মানে বহল আৰু আইচিচ্ (Isis) মানে পানী। কিছুমানে ইয়াৰ পৰাও নদীখনৰ নামটো অহা বুলি ক'ব খোজে। নৈখনৰ টেম্‌ছ নামকৰণ কৰাৰ আঁৰৰ এনে অনেক প্ৰবাদ পোৱা যায়।


১৮ শ শতিকাৰপৰা টেম্‌ছ নৈখন পৃথিৱীৰ এক অন্যতম ব্যস্ত জলপথৰূপে পৰিচিত। ইয়াত প্ৰায় ২৫ বিধমান প্ৰজাতিৰ মাছ পোৱা যায়। প্ৰাকৃতিক সৌন্দৰ্যৰ ফালৰপৰাও ই অতুলনীয়। সমগ্ৰ নৈখনৰ পাৰেৰে ইউৰোপ মহাদেশৰ বিভিন্ন স্থানৰ মনোমোহা প্ৰাকৃতিক দৃশ্য উপভোগ কৰিব পাৰি। নৈখনত চিচৱিক ইয়'ট (Chiswick Eyot), অলিভাৰ্চ্ আইলেণ্ড (Oliver's Island) আদি কেইবাটাও দ্বীপ পোৱা যায়। টেম্‌ছৰ ওপৰত সজা কেইখনমান বিখ্যাত দলং হ'ল—টাৱাৰ ব্ৰীজ, লণ্ডন ব্ৰীজ, মিলেনিয়াম ব্ৰীজ, হাংগাৰফ'ৰ্ড ব্ৰীজ, ডাৰ্টফ'ৰ্ড ক্ৰছিং আদি। ইয়াৰোপৰি টেম্‌ছ নদীৰ সুৰংগ আজিও পৃথিৱী বিখ্যাত। নৈখনে পশ্চিমৰপৰা পূবলৈ গতি কৰিছে। নৈখনত বহুত ভাঁজ থকা বাবে ইয়াৰ গতি আন নৈৰ তুলনাত কিছু মন্থৰ। নৈখনত ইমানবোৰ ভাঁজ থকা বাবে কেতিয়াবা কোনো কোনো ঠাইত ই ওভতাকৈও বয়।

**টেমছৰ উপনৈসমূহ :** ডাৰেণ্ট (River Darent), চাৰ্ণ (Churn), ৱিম (Beam), ৰ'ডিং (Roding), লিয়া (Lea), ৰিভেন্সবৰ্'ৰ্ণ (Revensbourne), ৱালব্ৰুক (Walbrook), ফ্লিট (Fleet) আদি।

প্ৰতিখন নৈৰ সৈতে ইতিহাস জড়িত। টেম্‌ছো ইয়াৰপৰা পৃথক নহয়। ইংলেণ্ডৰ বহুতো বিখ্যাত লোকে ইয়াৰ পাৰতেই জন্মগ্ৰহণ কৰিছিল। ইয়াৰ পাৰতেই ১৮১২ চনৰ বেটেল অব দি টেম্‌ছ (Battel of the Thames) অথবা বেটেল অব দি ম'ৰ'ভিয়ান টাউন (Battle of Morovian town) সংঘটিত হৈছিল। টেম্‌ছক লৈ বিভিন্ন লেখকে বিভিন্ন গ্ৰন্থ ৰচনা কৰিছে। উদাহৰণস্বৰূপে জেৰ'ম কে জেৰ'মৰ থ্ৰি মেন ইন এ বোট (Three Men in a Boat) উল্লেখযোগ্য। এম্ পি বাৰ্ণৰ এষাৰ উক্তিৰ পৰা টেম্‌ছৰ ঐতিহাসিক গুৰুত্ব বুজিব পাৰি। উক্তিটো হ'ল—The St Lawrence is water, the Mississippi is muddy water, but the Thames is liquid history। (ছেণ্ট লৰেঞ্চ নৈ হ'ল পানী, মিছিছিপি নৈ হ'ল বোকা পানী কিন্তু টেম্‌ছ হ'ল পনীয়া ইতিহাস।) ◎

# মহাকাশৰ আৱৰ্জনা

■ তপন কুমাৰ শৰ্মা



মানৱসৃষ্ট আৱৰ্জনাসমূহে কেৱল মাটি, পানী আৰু বায়ুমণ্ডলকে প্ৰদূষিত কৰা নাই, ই মহাকাশো ভৰাই পেলাইছে। মহাকাশ বুলি কওঁতে পৃথিৱীৰপৰা ২০০ কিল'মিটাৰৰপৰা ৩৬,০০০ কিল'মিটাৰ পৰ্যন্ত এই আৱৰণটো বুজোৱা হৈছে। এই উচ্চতাতে কৃত্ৰিম উপগ্ৰহসমূহ আৰু মহাকাশ আস্থানসমূহ আছে।

২০০ কিল'মিটাৰৰপৰা-২০০০ কিল'মিটাৰ এই উচ্চতাক নিম্ন পৃথিৱীৰ কক্ষ বোলে। এই উচ্চতাত মহাকাশ ষ্টেছনসমূহ, হাব'ল দূৰবীক্ষণ আৰু পৃথিৱী নিৰীক্ষণ উপগ্ৰহসমূহ আছে। এইসমূহে প্ৰায় ৯০ মিনিটত পৃথিৱীক এবাৰ প্ৰদক্ষিণ কৰে।

২০০০ কিল'মিটাৰ উচ্চতাক মধ্য পৃথিৱীৰ কক্ষপথ বোলে। এই উচ্চতাত কোনো ঠাইৰ অৱস্থিতি বা স্থানাংক নিৰ্ণয়ৰ বাবে ব্যৱহৃত নেভিগেছনেল বা জিপিএছ উপগ্ৰহসমূহ থাকে। এইসমূহে পৃথিৱীক ১২ ঘণ্টাত এবাৰ প্ৰদক্ষিণ কৰে।

৩৬,০০০ কিল'মিটাৰৰ ওপৰৰখিনিক ভূ-স্থৈতিক কক্ষপথ বোলে। এইসমূহে ২৪ ঘণ্টাত পৃথিৱীক এপাক প্ৰদক্ষিণ কৰে। পৃথিৱীৰপৰা এই উচ্চতাৰ উপগ্ৰহসমূহ একে ঠাইতে ৰৈ থকা যেন বোধ হয়। যোগাযোগ আৰু বতৰ সম্পৰ্কীয় উপগ্ৰহ এই উচ্চতাত থাকে।

**মহাকাশৰ আৱৰ্জনাসমূহ :** মহাকাশৰ আবৰ্জনাবোৰ ঘাইকৈ কৃত্ৰিম উপগ্ৰহসমূহৰপৰা সৃষ্টি হোৱা। আৱৰ্জনাসমূহৰ ভিতৰত অব্যৱহৃত পুৰণা উপগ্ৰহ, তাৰ যন্ত্ৰাংশ, বৈজ্ঞানিক সঁজুলি, কেমেৰা, সংঘৰ্ষৰ ফলত সৃষ্টি হোৱা অসংখ্য সৰু-বৰ টুকুৰা, ব্যৱহৃত ৰকেটৰ অৱশিষ্ট অংশ আদি প্ৰধান।

পৃথিৱীৰপৰা আজিলৈকে প্ৰায় ৬০০০টা মান উপগ্ৰহ পঠিওৱা হৈছে। তাৰে ১০০০ মানহে বৰ্তমান কামত লাগি আছে; বাকীবোৰ আৱৰ্জনা। উল্লিখিত উচ্চতাত (৪০০-৩২,০০০ কিল'মিটাৰ) প্ৰাকৃতিক জাবৰ কিছুমানো আছে। এইবোৰ হ'ল—উল্কাপুঞ্জ কিছুমান।

মহাকাশৰ আৱৰ্জনাসমূহে বহু ধৰণৰ বিপদ চপাই আনিব পাৰে। তাৰে প্ৰধান দুটা বিপদ হ'ল—

বৰ্তমান কাৰ্যক্ষম হৈ থকা উপগ্ৰহৰ ক্ষতিসাধন হ'ব পাৰে। এনে কাৰ্যক্ষম উপগ্ৰহ এটা কোনো আৱৰ্জনা যেনে—পৰিত্যক্ত উপগ্ৰহৰ লগত খুন্দা খাই ধ্বংসপ্ৰাপ্ত হ'ব পাৰে আৰু এনেদৰে অধিক আৱৰ্জনা সৃষ্টি কৰিব পাৰে। এটা সময়ত এই কক্ষপথ ব্যৱহাৰৰ অনুপযোগী হৈ পৰিব।

আৱৰ্জনাসমূহে পৃথিৱীৰ বাসিন্দাসকলৰ বাবেও বিপদ কঢ়িয়াই আনিব পাৰে। গড় হিচাপে প্ৰতিদিনে একোটাকৈ মানৱসৃষ্ট পেলনীয়া বস্তু মহাকাশৰপৰা পৃথিৱীৰ বুকুত পৰে। আমি জনা তেনে দুটা উদাহৰণ হ'ল—

(১) ২০১১ চনৰ ২৪ ছেপ্টেম্বৰত NASA (নেছনেল এৰ'নৈটিকচ্ এণ্ড স্পেচ এড্‌মিনিষ্টেচন)ৰ UARS (Upper Atmosphere Research Satellite) উপগ্ৰহটো প্ৰশান্ত মহাসাগৰত সৰি পৰে। জনবহুল নোহোৱাৰ বাবে বিশেষ ক্ষয়-ক্ষতি নহ'ল।

(২) ২০১১ চনৰ ২৮ জুনত মহাকাশৰ আৱৰ্জনা পৃথিৱীত পৰিছিল; তাকো আন্তঃৰাষ্ট্ৰীয় মহাকাশ আস্থানৰপৰা মাত্ৰ ২০০ গজ দূৰত্বত ঘটনাটো ঘটিছিল।

(৩) ২০১১ চনৰ অক্ট'বৰত এটা উপগ্ৰহ পৃথিৱীলৈ

ঘূৰি আহি বংগোপসাগৰত পৰিছিল; কেইমিনিটমান পলমকৈ পৰাহেঁতেন ই চীনৰ ৰাজধানী অতিজনবহুল মহানগৰী (জনসংখ্যা ১.৭ কোটি) বেইজিঙত পৰিলেহেঁতেন। উপগ্ৰহটোৰ নাম DLR ROSAT। এক্সৰে দূৰবীণযুক্ত উপগ্ৰহটো বিজ্ঞানী ৰণ্টজেনৰ সোঁৱৰণত নামকৰণ কৰা হৈছিল।

**আৱৰ্জনাৰ ব্যৱস্থাপনা** : যুক্তৰাষ্ট্ৰৰ স্থলসেনা, নৌসেনা আৰু বায়ু সেনাৰ নিয়ন্ত্ৰণত থকা ‘স্পেচ চাৰভিলেন্স নেটৱৰ্কে’ মহাকাশৰ আৱৰ্জনাসমূহ নিয়মীয়াকৈ মাটিত থকা ৰাডাৰ আৰু অন্যান্য যন্ত্ৰৰ সহায়ত ২৫খন ঠাইৰপৰা লক্ষ্য কৰে, হিচাপ কৰে, তালিকাভুক্ত কৰে। এইবোৰৰ কোনোবাটো পৃথিৱীত সৰি পৰা সম্ভাৱনা, অন্য উপগ্ৰহ, মহাকাশ ষ্টেচন, যান ইত্যাদিত খুন্দা খোৱাৰ সম্ভাৱনা হিচাপ কৰি উলিয়ায়।

এই কাম ৰাছিয়া বা ইউৰোপিয়ান ইউনিয়নেও সমানে কৰে। এওঁলোকৰ হিচাপ মতে ২০০৯ চনলৈকে ৪ ইঞ্চি (১০ ছেমি.)তকৈ ডাঙৰ টুকুৰাৰ সংখ্যা মহাকাশত প্ৰায় ১৬,০০০ আৰু ২০১২ চনত প্ৰায় ২০,০০০ আছিল। ১ ছেণ্টিমিটাৰৰপৰা ১০ ছেণ্টিমিটাৰ আকাৰৰ প্ৰায় ৫ লাখ টুকুৰা আছে। ১ ছেমি.তকৈ সৰু হিচাপ কৰিলে ১০ নিযুততকৈ বেছি আৱৰ্জনা আছে।

সৰহভাগ আৱৰ্জনা পৃথিৱীৰ নিম্নকক্ষপথত (২০০০ কিল'মিটাৰৰ তলত) আছে। ইয়াৰ সিংহভাগ ৮০০ ৰপৰা ৮৫০ কিল'মিটাৰ উচ্চতাত আছে। এনে টুকুৰাবোৰৰ গতিবেগ অতি বেছি (১০ কিমি./ছে.) হোৱা বাবে ইয়াত প্ৰচণ্ড শক্তি নিহিত হৈ থাকে।

নিম্নকক্ষপথত থকা আৱৰ্জনাসমূহ সোনকালে পৃথিৱীত খহি পৰে। ৬০০ কিল'মিটাৰৰ তলত থকাবোৰ কেইবছৰমানত খহি পৰে। আনহাতে ৮০০ কিল'মিটাৰ ওপৰৰ উচ্চতাত থকাবোৰ কেইবা দশকো লাগে। ১০০০ কিল'মিটাৰ ওপৰ হ'লে শতিকাজুৰি কক্ষপথত থাকিব পাৰে।

অধিক অলাগতিয়াল জাবৰ যাতে সৃষ্টি নহয়, তাৰ বাবে বিজ্ঞানীসকলে চেষ্টা কৰিছে। নতুন যানসমূহৰ আৰ্হি আৰু পৰিচালনাৰ ব্যৱস্থা সলনি কৰি এনে কৰিব পাৰি। জাবৰ পৰিষ্কাৰ কৰাটো কাৰিকৰী আৰু অৰ্থনৈতিক প্ৰত্যাহ্বান। এই ক্ষেত্ৰত সংশ্লিষ্ট দেশসমূহে বিভিন্ন নীতি নিৰ্ধাৰণ কৰিছে।

আন্তৰ্জাতিক মহাকাশ নীতি অনুসৰি কোনো এখন দেশে সৃষ্টি কৰা মহাকাশ আৱৰ্জনাই কিবা দুৰ্ঘটনা ঘটালে, সেইখন দেশ দায়বদ্ধ হয় আৰু প্ৰয়োজনীয় ক্ষতিপূৰণ দিব লাগে। ◎

## পুনৰ্গঠিত অসম মন্ত্ৰীসভাৰ মন্ত্ৰীসকল আৰু দপ্তৰসমূহ

**কেবিনেট মন্ত্ৰীসকল**

| | |
|---|---|
| মুখ্যমন্ত্ৰী তৰুণ গগৈ | বিত্ত, গৃহ, ৰাজনৈতিক পৰিক্ৰমা আৰু বিতৰণ নকৰা দপ্তৰসমূহ |
| ড° ভূমিধৰ বৰ্মন | ৰাজহ, দুৰ্যোগ ব্যৱস্থাপনা, প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ, অসম চুক্তি ৰূপায়ণ |
| শৰৎ বৰকটকী | শিক্ষা, পেন্সন আৰু ৰাজহুৱা আপত্তি অভিযোগ নিষ্পত্তিকৰণ |
| ৰকিবুল হুছেইন | পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, কৃষি, উদ্যান শস্য আৰু খাদ্য সংসাধন, সংসদীয় পৰিক্ৰমা, |
| অজন্তা নেওগ | গড়কাপ্তানি, পৰিকল্পনা আৰু উন্নয়ন, আইন আৰু ন্যায় |
| এটোৱা মুণ্ডা | পৰিৱেশ, বন, চাহ জনগোষ্ঠীৰ কল্যাণ |
| চন্দন কুমাৰ সৰকাৰ | জলসিঞ্চন, ভূমি সংৰক্ষণ |
| বসন্ত দাস | মীন, জলসম্পদ, অনুসূচীত জনজাতি কল্যাণ |
| চুকুৰ আলি | জনস্বাস্থ্য কাৰিকৰী, সংখ্যালঘু উন্নয়ন |
| অজিত সিং | পৰিবহন, আবকাৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ |
| নজৰুল ইছলাম | খাদ্য, স্বাস্থ্য, পৰিয়াল কল্যাণ |
| খৰছিং ইংতি | পশুপালন আৰু পশু চিকিৎসা, সমবায়, পাৰ্বত্য অঞ্চল উন্নয়ন |

**ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ)**

| | |
|---|---|
| বিস্মিতা গগৈ | সাংস্কৃতিক পৰিক্ৰমা, বয়ন, হস্ততাঁত, ৰেছম, অন্যান্য পিছপৰা জাতিৰ উন্নয়ন |
| সুমিত্ৰা দলে পাটিৰ | জনজাতি কল্যাণ, গৃহ নিৰ্মাণ, পৰ্যটন |
| গিৰীন্দ্ৰ মল্লিক | খনি, কাৰাগাৰ, সীমান্ত অঞ্চল উন্নয়ন |



অৰূপা পটংগীয়া কলিতা, প্ৰসংগ পৃষ্ঠা ১৬



লণ্ডন ব্ৰীজ, প্ৰসংগ পৃষ্ঠা ৩০



চুয়েজ খাল, প্ৰসংগ পৃষ্ঠা ২৪



পানামা খাল, প্ৰসংগ পৃষ্ঠা ২৪

# ভাৰতৰ কেইটামান উল্লেখযোগ্য স্থাপত্য



পাতালেশ্বৰ মন্দিৰ, পুণে



মহাৰাজা প্ৰাসাদ, মহীশূৰ



সূৰ্য মন্দিৰ, ভুবনেশ্বৰ